SBI Life
INSURANCE
With Us, You're Sure

# এচবিআই লাইফ-ৰ সৈতে যাত্ৰা কৰাৰ বাবে জীৱন বীমা সম্বন্ধীয় প্ৰাথমিক নিৰ্দেশিকা

## জীৱন বীমা সংক্ৰান্ত পলিচী ধাৰকৰ নিৰ্দেশনা

- পলিচী নথিপত্ৰ
- পলিচী সেৱা
- পলিচীৰ নৱীকৰণ
- পলিচীৰ লাভ

এচবিআই লাইফ-ৰ সৈতে যোগাযোগ কৰক



# পলিচী ধাৰকৰ
# বীমা নিৰ্দেশিকা

সংস্কৰণ : GBKPH.ver.03-06-21 BKL ASM

সূচীপত্ৰ


পাতনি....................................................1

বীমা পলিচীৰ জীৱন চক্ৰ................................1

পলিচী ডক্যুমেন্ট খন বুজি লওঁ আহক.................4

1. তথ্য পৃষ্ঠা
2. প্ৰথম প্ৰিমিয়ামৰ ৰচিদ
3. মুখ্য বৈশিষ্ট্যৰ ডক্যুমেন্ট
4. পলিচী অনুসূচী
5. পলিচী পুস্তিকা
6. সূচীপত্ৰ
7. পৰিশিষ্ট
8. লোকপাল কেন্দ্ৰৰ বিৱৰণ
9. মূল ব্যক্তিগত তথ্য
10. প্ৰস্তাৱ প্ৰপত্ৰৰ স্কেন কৰা প্ৰতিলিপি

বীমাকৰ্তাৰ সৈতে সংযোগসাধন.........................7

1. সমীপস্থ এচবিআই লাইফ শাখা
2. কল চেন্টাৰ
3. ইমেইল
4. এচএমএচ
5. আমালৈ লিখক
6. ৱেবচাইট
7. গ্ৰাহক চেল্ফ চাৰ্ভিচ পৰ্টেল
8. হোৱাট্‌চএপ অপ্ট-ইন
9. গ্ৰাহকৰ বাবে ম’বাইল এপ্লিকেশ্যন

আপোনাৰ পলিচীৰ নৱীকৰণ.........................12

1. এচবিআই লাইফ ৱেবচাইট
2. ইলেক্ট্ৰনিক ফাণ্ড ট্ৰেঞ্চফাৰ (ইএফটি)

3. ডাইৰেক্ট ৰেমিটেন্স
4. নেট বেঙ্কিং
5. এচআই-ক্ৰেডিট কাৰ্ড
6. কেশ্ব ৰেমিটেন্সৰ জৰিয়তে
7. পে’মেন্ট এপ্লিকেশ্যনৰ জৰিয়তে
8. অন্য ই-ৱালেট্‌চৰ জৰিয়তে
9. এচবিআই ম’বাইল বেঙ্কিং

পলিচীৰ সৈতে জড়িত সেৱাসমূহ......................14
ক. বিত্তীয় সেৱাসমূহ
1. ফ্ৰী লুক কেঞ্চেলেশ্যন
2. আংশিক ধন-আহৰণ
3. সমৰ্পণ
4. পলিচীৰ বিপৰীতে লোন
খ. অনা-বিত্তীয় সেৱাসমূহ
1. পলিচীৰ স্বত্বনিয়োগ
2. ডুপ্লিকেট পলিচী বণ্ড
3. যোগাযোগৰ বিৱৰণৰ আপডেট
4. নামাঙ্কিত ব্যক্তিৰ বিৱৰণৰ আপডেট
5. ফাণ্ড চুইচ আৰু ফাণ্ডৰ ৰিডাইৰেকশ্বন
6. পলিচীৰ পুনৰাৰম্ভণি
7. নামৰ পৰিবৰ্তন
8. চহীৰ পৰিবৰ্তন
9. ডিমেটেৰিয়েলাইজ/ৰিমেটেৰিয়েলাইজ পলিচী

দাবীৰ নিষ্পত্তিকৰণ ..................................25
1. মৃত্যু দাবী
2. ৰাইডাৰ দাবী
3. ম্যাদপূৰ্ণ লাভ
4. উত্তৰজীৱী লাভ
5. এন্যুইটী পে’আউট্‌চ

শব্দকোষ...............................................27
দাবী-পৰিহাৰ .........................................29

## পাতনি

জীৱন বীমা হ'ল এনে এবিধ আহিলা যি এজন ব্যক্তিক তেওঁৰ ব্যক্তিগত জীৱনত দেখা দিব পৰা ক্ষতিশংকাৰ পৰা সুৰক্ষিত হৈ পৰাত সহায় কৰে। এই ক্ষতিশংকা আপুনি বাছি লোৱা লাইফ ইঞ্চিওৰেন্স প্ৰডাক্ট বিধৰ ওপৰত নিৰ্ভৰ কৰি মৃত্যু, বেমাৰ বা দুৰ্ঘটনা আদিৰ যিকোনো ক্ষতিশংকা হ'ব পাৰে। পলিচী ধাৰকে লোৱা বীমা পলিচীৰ নিয়ম আৰু চৰ্ত অনুযায়ী তেওঁলোকে সন্মুখীন হ'ব পৰা যিকোনো দুৰ্ভাগ্যজনক ঘটনাৰ ক্ষেত্ৰত এই বীমাই তেওঁলোকক আৰ্থিকভাৱে সহায় কৰে।

### বীমা পলিচীৰ জীৱন চক্ৰ :

পলিচীৰ জীৱন চক্ৰ আৰম্ভ হয় তেতিয়া যেতিয়া এজন ব্যক্তিয়ে প্ৰয়োজনীয় সমস্ত নথিপত্ৰৰ সৈতে তেওঁৰ সম্পূৰ্ণৰূপে পূৰোৱা আৰু চহী কৰা প্ৰস্তাৱ প্ৰপত্ৰ (ভৌতিকৰূপে/ডিজিটেল মাধ্যমত) দাখিল কৰে।

আমি ডিজিটেল প্ৰক্ৰিয়ালৈ আগবঢ়াৰ লগে লগে, আমাৰ লাইফ মিত্ৰ বা চাৰ্টিফাইড ইঞ্চিওৰেন্স ফেচিলিটেটৰ (চিআইএফ)-ক সেই ব্যক্তি/ প্ৰস্তাৱকৰ পৰা বীমাৰ প্ৰস্তাৱ ডিজিটেলৰ ৰূপত লাভ কৰিবলৈ টেবলেট/ ম'বাইল প্ৰদান কৰা হ'ব।

ডিজিটেল অন-বোৰ্ডিং প্ৰক্ৰিয়াৰ সময়ত প্ৰথম পদক্ষেপ হ'ল নীড এনালাইছিচ সম্পূৰ্ণ কৰি তোলা, ইয়াৰ অন্তৰ্গত থাকিব সেই ব্যক্তিজনৰ ব্যক্তিগত বিৱৰণ, আৰ্থিক বিৱৰণ তথা অৱসৰকালীন যোজনা বা ঘৰ কিনাৰ আঁচনি আদিৰ দৰে বিত্তীয় লক্ষ্য ইত্যাদি পূৰণ কৰা। প্ৰদত্ত বিৱৰণৰ ভিত্তিত, গ্ৰাহক জনে কিনাৰ বাবে আটাইতকৈ উপযুক্ত বীমা প্ৰডাক্ট বিধৰ পৰামৰ্শ দিয়া হ'ব। এবাৰ প্ৰডাক্ট বিধ বাছি উলিওৱাৰ পিছত, সেই প্ৰডাক্টৰ সংশ্লিষ্ট লাভৰ দৃষ্টান্ত-ৰ দ্বাৰা কোনো নিৰ্দিষ্ট পটভূমিৰ বাবে প্ৰদেয় লাভ সমূহ প্ৰদৰ্শন কৰা হ'ব আৰু এই লাভ দেখুওৱা হ'ব 4% আৰু 8% প্ৰতিলাভৰ আনুমানিক হাৰত। ব্যক্তিজনে এই সময়ত তেওঁৰ আৱশ্যকতাৰ ভিত্তিত সেই প্ৰডাক্ট বিধ কিনিবলৈ আগবাঢ়িব পাৰে বা অন্য এবিধ প্ৰডাক্ট বাছি লব পাৰে।

প্ৰস্তাৱকে এবাৰ আকাংক্ষিত প্ৰডাক্টবিধ বাছি উলিওৱাৰ পিছত, তেওঁ অনলাইন প্ৰস্তাৱ প্ৰপত্ৰ পূৰোৱাৰ আৰু প্ৰিমিয়াম পৰিশোধ কৰাৰ প্ৰয়োজন পৰে। প্ৰস্তাৱকে প্ৰিমিয়াম ভৰাৰ বাবে বিভিন্ন পৰিশোধ বিকল্প আছে, যেনে ধৰক অনলাইন পেমেন্ট গেটৱে; প্ৰস্তাৱকৰ ম'বাইল নম্বৰলৈ এচএমএচ-ৰ

জৰিয়তে পঠিওৱা bit.ly লিংক ব্যৱহাৰ কৰি, ইএফটি ম'ডৰ জৰিয়তে বা চেক পেমেন্টৰ জৰিয়তে। সুনিশ্চিত কৰিব যাতে ইচাইন-ৰ সত্যনিৰূপণ অ'টিপি-ৰ জৰিয়তে সম্পূৰ্ণ কৰা হয়।

অন-বোৰ্ডিঙৰ গোটেই যাত্ৰাতে, ডিজিটেল KYC দাখিল কৰাৰ বাবে বিবিধ বিকল্প প্ৰস্তাৱকৰ বাবে উপলব্ধ কৰোৱা হৈছে। গ্ৰাহকে তেওঁৰ CKYC আইডি এন্টাৰ কৰিব পাৰে যাৰ ওপৰত ভিত্তি কৰি চেন্ট্ৰেল ৰিপ'জিটৰীৰ পৰা পোনপটীয়াকৈ KYC-ৰ বিৱৰণ লৈ অহা হ'ব। গ্ৰাহকৰ ওচৰত তদুপৰি এই কাম অফলাইন আৰু ভিডিঅ'-আধাৰিত eKYC-ৰে কৰিব পৰাৰো ব্যৱস্থা আছে, যাৰ জৰিয়তে KYC-ৰ বিৱৰণ UIDAI চাইটৰ পৰা পোনপটীয়াকৈ লব পৰা যাব। KYC দাখিল প্ৰক্ৰিয়া আৰু বেছিকৈ সহজ কৰি তোলাৰ বাবে, bit.ly লিংকৰ যোগেদিও KYC-ৰ বিৱৰণ আপলোড কৰাৰ বাবে ব্যৱস্থা প্ৰদান কৰা হৈছে। প্ৰস্তাৱপত্ৰ পূৰোৱাৰ আৰু দাখিল কৰাৰ সকলো স্তৰতে সহায় কৰিবলৈ আৰু দেখুৱাই দিবলৈ আমাৰ এডভাইজৰ/ফেচিলিটেটৰ আপোনাৰ ওচৰত থাকিব।

এবাৰ যেতিয়া এচবিআই লাইফ-ত আমি প্ৰপত্ৰ/ডেটা প্ৰাপ্ত কৰিম, তাৰপিছতে প্ৰি ইন্সুৰেন্স ভেৰিফিকেশ্যন কল (PIWC) আৰু প্ৰপ'জেল ৰিস্ক এছেছমেন্ট (আণ্ডাৰৰাইটিং)-ৰ কাম আৰম্ভ কৰা হ'ব। PIWC-ৰ সময়ত, প্ৰস্তাৱ প্ৰপত্ৰত উল্লেখিত বিভিন্ন তথ্যসমূহ সঁচা বুলি খাটাং কৰিবলৈ এটা ফোন কল কৰা হ'ব গ্ৰাহকলৈ। গ্ৰাহকে তদুপৰি ইন্সটা পিআইডব্লিউচি (ডিজিটেল PIWC) প্ৰক্ৰিয়াৰ জৰিয়তেও নিজৰ সুবিধা অনুযায়ী সত্যনিৰূপণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব পাৰিব। এই ফোন কলৰ উদ্দেশ্য হ'ব প্ৰস্তাৱ প্ৰপত্ৰত প্ৰদান কৰা সমস্ত বিৱৰণ সম্বন্ধে গ্ৰাহক জন অৱগত হয় নে নহয় সেয়া পৰীক্ষা কৰি চোৱা। সেই সময়তে বয়সৰ ওপৰত ভিত্তি কৰি ৰিস্ক এছেছমেন্ট (আণ্ডাৰৰাইটিং) আৰু গ্ৰাহকে বীমা কৰিব বিচৰা ধনৰ পৰিমাণ নিৰ্ধাৰণৰ কাম আৰম্ভ কৰা হ'ব তথা ডাক্তৰী পৰীক্ষাৰ (যদি কিবা আছে) প্ৰয়োজনীয়তা সম্বন্ধে জানি লোৱা হ'ব আৰু কৰিবলগীয়া ডাক্তৰী পৰীক্ষা আয়োজন কৰাৰ বাবে গ্ৰাহকলৈ ফোন কৰা হ'ব। স্থান আৰু গ্ৰাহকৰ সুবিধাৰ ওপৰত ভিত্তি কৰি চিকিৎসালয়/ৰোগনিদান কেন্দ্ৰৰ পৰামৰ্শ দিয়া হ'ব আৰু এপইন্টমেন্ট বুক কৰা হ'ব।

ডাক্তৰী পৰীক্ষা (যদি কিবা থাকে) এবাৰ সফলতাৰে সম্পূৰ্ণ হোৱাৰ পিছত আৰু বীমাকৰ্তাই ৰিপ'ৰ্ট প্ৰাপ্ত কৰাৰ পিছত, কোম্পানীয়ে প্ৰস্তাৱ প্ৰপত্ৰৰ চূড়ান্ত ক্ষতিশংকা নিৰ্ধাৰণ কৰিব। বীমাকৰ্তাই সিদ্ধান্ত লব গ্ৰাহক জনলৈ

পলিচী জাৰি কৰিব পৰা যাবনে নাযায় আৰু যদিহে পৰা যায়, তেন্তে নৰ্মেল প্ৰিমিয়াম হ'ব নে ই ৰিস্ক এছেছমেন্টৰ ভিত্তিত অতিৰিক্ত প্ৰিমিয়ামৰ সৈতে হ'ব তাৰো সিদ্ধান্ত লব। পলিচী জাৰি নকৰাৰ ক্ষেত্ৰত, পলিচী ধাৰকে প্ৰেৰণ কৰা প্ৰিমিয়াম তেওঁৰ মূল একাউন্টলৈ ঘূৰাই পঠিওৱা হ'ব। পলিচী জাৰি কৰাৰ পিছত (নৰ্মেল বা অতিৰিক্ত প্ৰিমিয়ামৰ সৈতে), পলিচী ডকুমেন্ট গ্ৰাহকলৈ পঠিয়াই দিয়া হ'ব। অতিৰিক্তভাৱে গ্ৰাহকলৈ এটা bit.ly লিংকো পঠিওৱা হ'ব যাতে তেওঁলোকে নিজৰ জন্ম তাৰিখ (DOB) আৰু তেওঁলোকৰ ৰেজিষ্টাৰ্ড ম'বাইল নম্বৰ যোগে আমি পঠিওৱা OTP ইনপুট কৰি পলিচী ডকুমেন্টৰ চফ্‌ট কপি উলিয়াই লবলৈ সক্ষম হ'ব পাৰে।

পলিচী ডকুমেন্ট হ'ল এবিধ গুৰুত্বপূৰ্ণ ডকুমেন্ট যাৰ অন্তৰ্গত আছে পলিচীৰ সমস্ত বিৱৰণৰ লগতে পলিচী নিয়ন্ত্ৰণ কৰা নিয়ম আৰু চৰ্তসমূহ। পৰবৰ্তী বিভাগত পলিচী ডকুমেন্ট সম্বন্ধে অধিক বৰ্ণনা কৰা হৈছে।

পলিচীৰ ম্যাদকালৰ ভিতৰত পলিচী ধাৰক জন যদিহে পলিচীৰ অধীনত সামৰি লোৱা যিকোনো ক্ষতিশঙ্কাৰ সন্মুখীন হয়, তেন্তে কোম্পানীয়ে প্ৰাপ্ত কৰা দাবীৰ নথিপত্ৰৰ ওপৰত নিৰ্ভৰ কৰি ধন পৰিশোধৰ ব্যৱস্থা গ্ৰহণ কৰিব।

যিবোৰ পৰিস্থিতিৰ অধীনত পলিচীৰ সমাপ্তি ঘটিব সেইবোৰ পলিচী ডকুমেন্টত তালিকাবদ্ধ কৰা আছে :

1. পলিচীৰ ম্যাদ শেষ হলে আৰু পলিচীৰ ম্যাদপূৰ্ণ ঘটিলে।
2. দুৰ্ঘটনাৰ ফলত মৃত্যু ঘটিলে/আত্মহত্যা কৰিলে (পলিচীৰ নিয়ম আৰু চৰ্ত অনুযায়ী তথা প্ৰস্তাৱ প্ৰপত্ৰ দাখিল কৰাৰ সময়ত গ্ৰাহকে লোৱা বিকল্প বিবেচনা কৰি)
3. পলিচী সমৰ্পণ কৰিলে (পলিচীৰ নিয়ম আৰু চৰ্ত অনুযায়ী)।
4. পলিচী ধাৰকে ফ্ৰী লুক কেঞ্চেলেশ্যনৰ সুবিধা ললে।
5. ভুল-বক্তব্য দিয়াৰ বা বাস্তৱ তথ্য ব্যক্ত নকৰাৰ ফলস্বৰূপে পলিচী বন্ধ কৰি দিলে।

উপৰোক্ত চৰ্ত বা স্থিতিসমূহ দেখা দিয়া সাপেক্ষে পলিচীৰ জীৱন চক্ৰৰ সমাপ্তি ঘটিব।

বীমা চক্ৰত পদাৰ্পণ কৰাৰ পৰা লৈ প্ৰস্থান কৰালৈকে সময়ছোৱাৰ মাজত, পলিচী ধাৰকক বিভিন্ন ক্ষণত সহায়তাৰ প্ৰয়োজন পৰিব আৰু সেয়া এই ডকুমেন্টৰ পলিচী সম্বন্ধীয় সেৱা বিভাগৰ অন্তৰ্গত বৰ্ণনা কৰা আছে।

## পলিচী ডকুমেন্ট খন বুজি লওঁ আহক

পলিচী ডকুমেন্ট হ'ল এখন গুৰুত্বপূৰ্ণ ডকুমেন্ট যাক সেৱাৰ বিভিন্ন পাৰস্পৰিক ক্ৰিয়াৰ সময়ত চাবলগীয়া হ'ব। পলিচী বণ্ড নিৰাপদে ৰাখিব। এঘাৰটা অঙ্কৰে গঠিত আপোনাৰ পলিচী নম্বৰ হ'ল এটা অনন্য চিনাক্তকৰণ সংখ্যা আৰু ই পলিচীৰ গোটেই জীৱনজুৰি অপৰিবৰ্তিত হৈ ৰব। সহজ প্ৰসংগ নিৰ্দেশৰ বাবে আপোনাৰ সমস্ত বাৰ্তা আদান-প্ৰদানতে এই পলিচী নম্বৰ উল্লেখ কৰিবলৈ মনত ৰাখিব।

পলিচী ধাৰকে তদুপৰি ডিমেটিৰিয়েলাইজেশ্যন প্ৰক্ৰিয়াৰ জৰিয়তে ইলেক্ট্ৰনিক পলিচী এটাৰ বিকল্পও বাছি লব পাৰে। এই প্ৰক্ৰিয়াৰ অধীনত, গ্ৰাহকে প্ৰস্তাৱপত্ৰ পূৰোৱাৰ সময়ত ইলেক্ট্ৰনিক ৰূপত পলিচী প্ৰাপ্ত কৰিবলৈ সন্মতি প্ৰদান কৰাৰ প্ৰয়োজন পৰিব। এই পুস্তিকাৰ শেষৰ ফালে এই প্ৰক্ৰিয়া বিস্তাৰিতভাৱে বুজাই দিয়া হৈছে।

টোকা - পলিচীৰ চাৰ্ভিচিং আৰু দাবীৰ প্ৰচেচিঙৰ বাবে ইলেক্ট্ৰনিক পলিচী ব্যৱহাৰ কৰিব পৰা যাব।

পলিচী ডকুমেন্টৰ অন্তৰ্গত নিম্নোক্ত বিভাগসমূহ আছে :

### 1. স্বাগতম পত্ৰ

এই পৃষ্ঠাত আছে পলিচী ধাৰকৰ যোগাযোগৰ বিৱৰণ, পলিচী নম্বৰ, প্ৰডাক্টৰ নাম, প্ৰিমিয়াম দিবলগীয়া তাৰিখ (যদিহে ৰেগুলাৰ প্ৰিমিয়াম পৰিশোধ ব্যৱস্থা বাছি লোৱা হয়), গ্ৰাহক স্বয়ং সেৱা বিৱৰণ আৰু ফ্ৰী লুক কেঞ্চেলেশ্যন বিকল্প সম্বন্ধীয় তথ্য আদি।

### 2. প্ৰথম প্ৰিমিয়ামৰ ৰচিদ

প্ৰাপ্ত কৰা প্ৰিমিয়ামৰ বিতং বিৱৰণৰ উপৰিও, ৰচিদত থাকিব ফাণ্ড ভেল্যু, ফাণ্ড অনুযায়ী আবন্টন (প্ৰস্তাৱ প্ৰপত্ৰত বাছি লোৱা, ফাণ্ডৰ ভিত্তিত, যদি থাকে) আৰু কৰ সম্বন্ধীয় বিৱৰণ আদি।

### 3. মুখ্য বৈশিষ্ট্যৰ ডকুমেন্ট

এই ডকুমেন্টত আছে পলিচী ধাৰকে ক্ৰয় কৰা প্ৰডাক্ট বিধৰ মুখ্য বৈশিষ্ট্য সমূহৰ বিষয়ে চমু তথ্য।

## 4. পলিচী অনুসূচী

পলিচী অনুসূচী হ'ল পলিচী ডকুমেন্টৰ এটা অতি গুৰুত্বপূৰ্ণ অংশ যাৰ অন্তৰ্গত আছে জাৰি কৰা পলিচীৰ বিতং বিৱৰণ, যেনে ধৰক পলিচী নম্বৰ, গ্ৰাহক আইডি, পলিচী ধাৰকৰ ব্যক্তিগত তথ্য, নামনিৰ্দেশৰ বিৱৰণ, পলিচী সম্বন্ধীয় গুৰুত্বপূৰ্ণ তাৰিখসমূহ, মূল পলিচী তথ্য আৰু পলিচী বিৱৰণ আৰু বাছি লোৱা ৰাইডাৰ্চ/ফাণ্ডচ (প্ৰডাক্টৰ বৈশিষ্ট্য অনুসৰি, যদি থাকে)।

## 5. পলিচী পুস্তিকা

মুখ্য বৈশিষ্ট্যৰ ডকুমেন্টৰ অধীনত উল্লেখিত তথ্য অন্যান্য সংশ্লিষ্ট নিয়ম আৰু চৰ্তৰ সৈতে পলিচী পুস্তিকাত বিতংভাৱে দিয়া হৈছে। বুজিবলৈ সহজ কৰি তোলাৰ বাবে ডকুমেন্টত ব্যৱহৃত বিভিন্ন শব্দৰ অৰ্থ বা সংজ্ঞা ব্যাখ্যা কৰি দিয়া হৈছে। এই ডকুমেন্ট খনত আছে পলিচীৰ অধীনত উপলব্ধ লাভ, প্ৰিমিয়াম পৰিশোধৰ চৰ্তসমূহ, পলিচী পুনৰাৰম্ভ কৰাৰ বিকল্প যদিহে নিয়ম আৰু চৰ্ত অনুযায়ী প্ৰিমিয়াম পৰিশোধ কৰা হোৱা নাছিল, ফাণ্ডসমূহ আৰু উপলব্ধ বিকল্পসমূহ (ক্ৰয় কৰা পলিচীৰ প্ৰকাৰৰ ওপৰত নিৰ্ভৰশীল), পলিচীৰ অধীনৰ বিভিন্ন মাচুলসমূহ, দাবী প্ৰক্ৰিয়া আৰু সমৰ্পণ, সমাপ্তি, ফ্ৰী লুক কেঞ্চেলেশ্যন দফা, আত্মহত্যা অপবৰ্জন আদিৰ অন্য নিয়ম আৰু চৰ্তসমূহ আৰু পলিচী লোন ইত্যাদি।

## 6. সূচীপত্ৰ

সূচীপত্ৰ পৃষ্ঠাই পলিচী পুস্তিকাৰ বিভিন্ন বিভাগৰ বাবে গাইডৰ দৰে কাম কৰে। সূচীপত্ৰৰ সহায় লৈ পলিচী ধাৰকে পলিচী পুস্তিকাৰ বিভিন্ন অধ্যায়ৰ মাজেদি সহজে আগবাঢ়ি যাবলৈ সক্ষম হ'ব।

## 7. পৰিশিষ্ট

পৰিশিষ্টৰ অন্তৰ্গত আছে পলিচী ডকুমেন্টৰ সৈতে জড়িত বীমা অধিনিয়মৰ বিভিন্ন ধাৰাৰ বৰ্ণনা।

## 8. লোকপাল কেন্দ্ৰৰ বিৱৰণ

বীমা লোকপাল হ'ল এনে এটি সংস্থা যাক স্থাপন কৰা হৈছে বীমাকৃত

গ্ৰাহকৰ ওজৰ-আপত্তি সমূহ খৰকতীয়াকৈ সমাধান কৰাৰ বাবে আৰু সেই ওজৰ-আপত্তি সমূহ দূৰ কৰাৰ সৈতে জড়িত তেওঁলোকৰ সমস্যাসমূহ নাইকিয়া কৰিবলৈ।

**9. মূল ব্যক্তিগত তথ্য**

এই বিভাগত আছে গুৰুত্বপূৰ্ণ ব্যক্তিগত তথ্য, যেনে ধৰক পেন-ৰ বিৱৰণ, বেঙ্ক একাউন্টৰ বিৱৰণ ইত্যাদি যাক পলিচী ধাৰকে চেক কৰি চাব লাগিব পলিচী ডক্যুমেন্ট প্ৰাপ্ত কৰাৰ পিছত আৰু তাত কিবা ভুল দেখা পালে সেয়া আৱশ্যকীয় শুধৰণিৰ বাবে যিমান পাৰি সোনকালে ইঞ্চিওৰেন্স কোম্পানীৰ দৃষ্টিগোচৰ কৰোৱাব লাগিব।

**10. প্ৰস্তাৱ প্ৰপত্ৰ আৰু নথিপত্ৰৰ স্কেন কৰা প্ৰতিলিপি**

পলিচী ধাৰকৰ ভৱিষ্যতৰ সন্দৰ্ভৰ উদ্দেশ্যে, স্পষ্টতাৰ বাবে, ডাক্তৰী প্ৰতিবেদনৰ লগতে (যদিহে পলিচী ধাৰকে ডাক্তৰী পৰীক্ষা কৰোৱাইছে) প্ৰপত্ৰৰ সৈতে দাখিল কৰা প্ৰস্তাৱ প্ৰপত্ৰ আৰু নথিপত্ৰৰ প্ৰতিলিপি সংলগ্ন কৰি দিয়া হয়।

## বীমাকৰ্তাৰ সৈতে সংযোগসাধন

পলিচী ধাৰকে নিম্নলিখিত বিভিন্ন মাধ্যমৰ জৰিয়তে বীমাকৰ্তাৰ সৈতে সংযোগসাধন কৰিব পাৰিব।

### 1. সমীপস্থ এচবিআই লাইফ শাখাৰ সৈতে যোগাযোগ কৰক :

পলিচী ধাৰকে জনোৱা ঠিকনাৰ বিৱৰণৰ ওপৰত ভিত্তি কৰি চিনাক্ত কৰা সমীপস্থ চাৰ্ভিচ ব্ৰাঞ্চৰ নাম পলিচী ডক্যুমেন্টৰ স্বাগতম পত্ৰত উল্লেখ কৰি দিয়া হয়। ওচৰৰ অন্য শাখা বিচাৰি উলিয়াবলৈ কোম্পানীৰ ৱেবচাইট (www.sbilife.co.in)-ত থকা ব্ৰাঞ্চ লোকেটৰ ব্যৱহাৰ কৰিব পৰা যাব। একে ধৰণৰ ব্ৰাঞ্চ লোকেটৰ ম'বাইল এপ্লিকেশ্যন "SBI Life Easy Access"-তো পোৱা যায় যাক প্লেষ্টোৰ/এপষ্টোৰৰ পৰা আৰু এচবিআই লাইফ ৱেবচাইটত উপলব্ধ ''কাষ্টমাৰ চেল্ফ-চাৰ্ভিচ পৰ্টাল''-ৰ জৰিয়তে ডাউনলোড কৰিব পৰা যায়।

### 2. কল চেন্টাৰলৈ কল কৰক

পলিচী ধাৰকে সপ্তাহটোৰ গোটেই 7 দিন ধৰি পুৱা 9.00 বজাৰ পৰা ৰাতি 9.00 বজাৰ মাজত যিকোনো সময়তে ট'ল ফ্ৰী নম্বৰ 1800-267-9090 লৈও ফোন কৰিব পাৰিব।

### 3. ইমেইল কৰক আমালৈ

পলিচী ধাৰকে তেওঁলোকৰ প্ৰশ্ন আৰু অভিযোগ আমাৰ উমৈহতীয়া ইমেইল আইডি info@sbilife.co.in-লৈও পঠিয়াব পাৰিব।

### 4. এচএমএচ পঠিয়াওক

পলিচী ধাৰকে তদুপৰি 56161-লৈ "Solve" বুলিও এচএমএচ পঠিয়াব পাৰে (আপোনাৰ ম'বাইল প্লেন অনুযায়ী মাচুল ভৰিব লাগিব) আৰু তদুপৰি 24 ঘন্টাৰ ভিতৰতে তেওঁ ফোন কল পাব। বিকল্প স্বৰূপে, 9250001848-লৈ ৰেজিষ্টাৰ্ড ম'বাইল নম্বৰৰ পৰা (ম'বাইল প্লেন অনুযায়ী মাচুল ভৰিব লাগিব) নিম্নোক্তৰ বাবে এচএমএচ পঠিয়াব পৰা যাব।

ক. **নৱীকৰণৰ বিৱৰণ :** পৰৱৰ্তী নৱীকৰণ দেয় তাৰিখ আৰু নৱীকৰণ প্ৰিমিয়ামৰ ধনৰাশি জানিবলৈ এচএমএচ কৰক RENDET (স্পেচ) (পলিচী নম্বৰ)

খ. **ফাণ্ড ভেল্যু :** আপোনাৰ পলিচীৰ বৰ্তমানৰ ফাণ্ড ভেল্যু জানিবলৈ, এচএমএচ কৰক FV (স্পেচ)(পলিচী নম্বৰ)

গ. **পলিচী স্থিতি :** পলিচীৰ স্থিতি জানিবলৈ, এচএমএচ কৰক POLSTATUS (স্পেচ)(পলিচী নম্বৰ)

ঘ. **ফাণ্ড চুইচৰ লেনদেনৰ বিৱৰণ :** শেষতীয়া ফাণ্ড চুইচ অনুৰোধ সম্বন্ধে জানিবলৈ, এচএমএচ কৰক SWTR (স্পেচ)(পলিচী নম্বৰ)

ঙ. **পলিচী প্ৰেৰণৰ বিৱৰণ :** আপুনি যদি অলপতে নতুন পলিচী কিনিছে (বিগত ছমাহৰ ভিতৰত), প্ৰেৰণৰ বিৱৰণ পাবলৈ, এচএমএচ কৰক NEWPOL (স্পেচ)(পলিচী নম্বৰ)

চ. **ইমেইল ৰেজিষ্ট্ৰেশ্যন :** এচএমএচ পঠিয়াই আপোনাৰ ইমেইল আইডি আপডেট কৰক MYEMAIL (স্পেচ) (পলিচী নম্বৰ) (স্পেচ) (নতুন আইডি)

ছ. **পেন-ৰ বিৱৰণ আপডেট কৰক :** আপোনাৰ পলিচীত আপোনাৰ পেন আপডেট কৰিবলৈ এচএমএচ কৰক PAN (স্পেচ) (পলিচী নম্বৰ)(স্পেচ)(পেন নম্বৰ)

**5. আমালৈ লিখক**

বিকল্প স্বৰূপে, পলিচী ধাৰকে নিজৰ ওজৰ-আপত্তি লিখি তলত উল্লেখিত ঠিকনালৈ পঠিয়াই দিব পাৰে।

**ঠিকনা :**
দ্য গ্ৰিভেন্স ৰিড্ৰেছেল অফিছাৰ,

**এচবিআই লাইফ ইঞ্চিওৰেন্স কোম্পানী লিমিটেড**
**চেন্ট্ৰেল প্ৰচেচিং চেন্টাৰ,**
8ম লেভেল, ছীৱুড্চ গ্ৰেণ্ড চেন্ট্ৰেল, টাৱাৰ 2,
প্লট নং আৰ-1, সেক্টৰ - 40
ছীৱুড্চ, নেৰুল ন’ড,
নৱী মুম্বাই - 400706

### 6. আমাৰ ৱেবচাইট ভিজিট কৰক


পলিচী ধাৰকে আমাৰ কৰ্পোৰেট ৱেবচাইট (www.sbilife.co.in) ভিজিট কৰিব পাৰে আৰু বিভিন্ন টেব্‌চৰ অধীনত উপলব্ধ বিকল্পসমূহ চাব পাৰে। তাত তেওঁ বীমাৰ বিষয়ে জানিব পাৰিব, বীমাৰ প্ৰয়োজনৰ মূল্যাংকন কৰিব পাৰিব, বিভিন্ন আহিলা-পাতি আৰু কেলকুলেটৰ ব্যৱহাৰ কৰিব পাৰিব আৰু সাধাৰণ প্ৰশ্ন সমূহৰ উত্তৰ পাব পাৰিব। তদুপৰি তেওঁ বিভিন্ন ইঞ্চিওৰেন্স প্ৰডাক্ট আৰু সেইবোৰৰ বৈশিষ্ট্যসমূহ চাব পাৰিব, তথা চাৰ্ভিচেচ বিভাগৰ অধীনত প্ৰপত্ৰ ডাউনলোড কৰিব পাৰিব, সীমিত পৰিমাণে পলিচী সম্বন্ধীয় চাৰ্ভিচ গ্ৰহণ কৰিব পাৰিব তথা পলিচী সম্বন্ধীয় কিছুমান গুৰুত্বপূৰ্ণ শব্দাৱলী সম্বন্ধে তথ্য লাভ কৰিব পাৰিব। গ্ৰাহক আৰু পলিচী ধাৰকে আমাৰ কোম্পানীৰ প্ৰফাইল তাত চাব পাৰিব তথা ইয়াক উন্ন ত কৰাৰ বাবে মতামত/পৰামৰ্শ আগবঢ়াব পাৰিব। লগতে অভিযোগ সমাধানৰ প্ৰক্ৰিয়া জনাৰ বাবে আমাৰ ৱেবচাইটত এটা পৃথক বিভাগ আছে য'ত গ্ৰিভেন্স ৰিড্ৰেছেল অফিচাৰ (জিআৰঅ')-ৰ বিতং বিৱৰণ দিয়া আছে। অন্যহাতে আমাৰ অনলাইন প্লেন্‌চ বিভাগৰ সহায়ত আপুনি মধ্যস্থতাকাৰীৰ হস্তক্ষেপ অবিহনে অনলাইনত ইঞ্চিওৰেন্স প্ৰডাক্ট কিনিবলৈ সক্ষম হ'ব।

**ওজৰ-আপত্তি দূৰীকৰণ প্ৰক্ৰিয়া**

পলিচী ধাৰকে পাঁচটা টাচ্চ পইন্টৰ (বীমাকৰ্তাৰ সৈতে সংযোগসাধন শিতানৰ অধীনত উল্লেখ কৰা হৈছে) যিকোনো এটাৰ জৰিয়তে নিজৰ ওজৰ-আপত্তি ৰেজিষ্টাৰ কৰিব পাৰিব। এইদৰে প্ৰাপ্ত কৰা ওজৰ-আপত্তি আমাৰ কাষ্টমাৰ ৰিলেশ্যনশ্বিপ মেনেজমেন্ট (চিআৰএম) মডিউলত ৰেজিষ্টাৰ কৰা হ'ব আৰু এই ওজৰ-আপত্তিৰ বাবে এটা ইউনিক ৰেফাৰেন্স নম্বৰ অৰ্থাৎ চাৰ্ভিচ ৰিকুৱেষ্ট (এচআৰ) আবন্টন কৰা হ'ব। বিতংভাৱে এই ওজৰ-আপত্তি পৰ্যালোচনা কৰা হ'ব আৰু 15 দিনৰ ভিতৰতে ইয়াৰ সমাধান ঘটোৱা হ'ব। এনে সমাধানত পলিচী ধাৰক সন্তুষ্ট নোহোৱাৰ ক্ষেত্ৰত, তেওঁ ইঞ্চিওৰেন্স কোম্পানীৰ আমাৰ ওচৰত অভিযোগ দাখিল কৰা তাৰিখৰ পৰা 30 দিনৰ সমাপ্তি ঘটাৰ পিছত সেই অভিযোগৰ সৈতে মাননীয় বীমা লোকপালৰ ওচৰ চাপিবলৈ বিকল্প লাভ কৰিব (লাগিলে সেই অভিযোগ কোম্পানীৰ আভ্যন্তৰীণ ওজৰ-আপত্তি দূৰীকৰণ প্ৰক্ৰিয়াৰ বিভিন্ন স্তৰৰ য'তেই নাথাকক লাগিলে)।

### 7. গ্ৰাহক চেল্ফ চাৰ্ভিচ পৰ্টাল

বৰ্তমানৰ গ্ৰাহক সকলেও আমাৰ ৱেবচাইটৰ লেণ্ডিং পৃষ্ঠাত উপলব্ধ গ্ৰাহক চেল্ফ চাৰ্ভিচ পৰ্টালত লগ ইন কৰিব পাৰিব।






**গ্ৰাহক চেল্ফ চাৰ্ভিচ পৰ্টালত বিস্তৃত প্ৰকাৰৰ সেৱা লাভ কৰিব পাৰি।**

ক. **মাই পলিচী :** প্ৰিমিয়ামৰ কেলেণ্ডাৰ আৰু পলিচীৰ ধন পৰিশোধ স্থিতি সমন্বিতে একে ঠাইতে আপোনাৰ সমস্ত এচবিআই লাইফ পলিচী সমূহ চাব পাৰিব।

খ. **পলিচী ষ্টেটমেন্ট :** অনলাইন প্ৰিমিয়াম পৰিশোধ স্বীকৃতিপত্ৰ, প্ৰিমিয়াম পৰিশোধৰ প্ৰমাণপত্ৰ, লেনদেন আৰু ইউনিট ষ্টেটমেন্ট তথা ৰিনিউৱেল প্ৰিমিয়াম ৰচিদ ডাউনলোড কৰিব পৰা যাব।

গ. **লেনদেন কৰক অনলাইনত :** অনলাইন যোগে আপোনাৰ প্ৰিমিয়াম ভৰক, আপোনাৰ পলিচী পুনৰাৰম্ভণি কৰক, আপোনাৰ পলিচীৰ সৈতে জড়িত ফাণ্ডক চুইচ বা ৰিডিৰেক্ট কৰক, আপোনাৰ ঠিকনা বা বেঙ্ক একাউন্টৰ বিৱৰণ আপডেট কৰক।

ঘ. **ক্লেইম্‌চ কৰ্নাৰ :** আপোনাৰ দাবী সম্বন্ধীয় প্ৰশ্ন উত্থাপন কৰক আৰু মতামত দিয়ক।

ঙ. **প্ৰপত্ৰ ডাউনলোড কৰক**

চ. **প্ৰফাইল সংক্ৰান্ত :** আপোনাৰ ইমেইল আইডি, পেন নম্বৰ, যোগাযোগ নম্বৰ আৰু অন্যান্য ব্যক্তিগত তথ্য আপডেট কৰক

ছ. **অটো পে' কৰাৰ নিৰ্দেশ দিয়ক**

জ. **সাধাৰণ প্ৰশ্ন উত্থাপন কৰক আৰু মতামত দিয়ক**

ঝ. **ই-ষ্টেটমেন্ট ৰেজিষ্টাৰ কৰক**

ঞ. **প্ৰডাক্ট ভেল্যুৰ ষ্টেটমেন্ট প্ৰাপ্ত কৰক**

ট. **আপোনাৰ এডভাইজৰ সম্বন্ধীয় বিৱৰণ চাওক**

**8. হোৱাট্‌চএপ অপ্ট-ইন**

এচবিআই লাইফ হোৱাট্‌চএপত 24x7 পোৱা যায় যাতে গ্ৰাহকৰ অনুসন্ধানৰ উত্তৰ দিব যায় আৰু বৰ্তমানৰ পলিচী ধাৰক সকললৈ সময়মতে ৰিমাইণ্ডাৰ আৰু বিজ্ঞপ্তি পঠিয়াব পৰা যায়।

গ্ৰাহকেও নিজৰ ৰেজিষ্টাৰ্ড ম'বাইল নম্বৰৰ পৰা অপ্ট-ইন-লৈ 9029006575 নম্বৰত মিছ্‌ড কল দিব পাৰে।

**এচবিআই লাইফ-ৰ হোৱাট্‌চএপ চাৰ্ভিচেচ ব্যৱহাৰ কৰাৰ মুখ্য বৈশিষ্ট্যসমূহ :**

**ক.** হোৱাট্‌চএপ মেন্যুৰ পৰা তলৰ যিকোনো বিকল্প ব্যৱহাৰকাৰীয়ে বাছি লব পাৰিব :

**i. পলিচী ষ্টেটমেন্ট** - প্ৰিমিয়াম পেইড চাৰ্টিফিকেট (PPC) আৰু টিডিএচ চাৰ্টিফিকেট

**ii. অন্যান্য চাৰ্ভিচেচ** - গ্ৰাহকে নিজৰ পলিচী হোৱাট্‌চএপৰ জৰিয়তে অনলাইনত পুনৰাৰম্ভ কৰিব পাৰে। কীৱৰ্ড্‌চ : ৰিভাইভেল/লেপ্‌চ

**iii. মৃত্যুৰ দাবীৰ সূচনা**

**খ. প্ৰস্তাৱৰ স্থিতি জনাৰ সুবিধা**

**গ.** কাষ্টমাৰ চেল্ফ চাৰ্ভিচ (CSS) পৰ্টাল আৰু অটো প্ৰিমিয়াম পেমেন্টত ৰেজিষ্টাৰ কৰাৰ বাবে পথপ্ৰদৰ্শন

**ঘ.** পলিচী সম্বন্ধীয় সকলো তথ্য আপোনাৰ আঙুলিৰ মূৰৰ যোগেদি পোৱাৰ সুবিধা

**ঙ.** বিভিন্ন প্ৰডাক্ট আৰু চাৰ্ভিচেচৰ সৈতে জড়িত প্ৰশ্নৰ উত্তৰ দিব পাৰে হোৱাট্‌চএপ আৰআইএ-ই

**চ.** বিভিন্ন অৱস্থাত হোৱাট্‌চএপ পুশ্ব নটিফিকেশ্যন্‌চ, যেনে প্ৰিমিয়াম পেমেন্ট ৰিমাইণ্ডাৰ্চ, ইত্যাদি

**9. গ্ৰাহকৰ বাবে ম'বাইল এপ্লিকেশ্যন**

এচবিআই লাইফৰ গ্ৰাহক সকলৰ বাবে বিকশিত কৰা হৈছে ইজী এক্সেচ ম'বাইল এপ্লিকেশ্যন যাৰ জৰিয়তে তেওঁলোকে নৱীকৰণ প্ৰিমিয়াম ভৰিব পাৰিব, বিভিন্ন বীমা যোজনাত চকু ফুৰাব পাৰিব, প্ৰিমিয়াম কেলকুলেটৰ ব্যৱহাৰ কৰিব পাৰিব, অনলাইন প্ৰডাক্ট কিনিব পাৰিব, বীমাৰ সৈতে জড়িত উপযোগী লিঙ্ক চাব পাৰিব। তদুপৰি **'মাই পলিচী'**-ত লগইন কৰি তেওঁলোকে নিজৰ পলিচীৰ বিৱৰণ চেক কৰি চাব পাৰিব। এই বিভাগত প্ৰিমিয়াম পৰিশোধ কৰিব পাৰিব, চাৰ্ভিচৰ সৈতে জড়িত প্ৰপত্ৰ ডাউনলোড কৰিব পাৰিব, বীমা কোম্পানীৰ ওচৰত দাখিল কৰা ব্যক্তিগত তথ্য চাব পাৰিব আৰু ই-ষ্টেটমেন্ট উলিয়াই লব পাৰিব। তদুপৰি এই এপ্লিকেশ্যনত থকা ডেডিকেটেড বিভাগৰ জৰিয়তে পলিচী ধাৰকে প্ৰশ্ন আৰু অভিযোগ উত্থাপন কৰিবও পাৰিব।

## আপোনাৰ পলিচীৰ নৱীকৰণ

যেতিয়া অনুগ্ৰহ কালছোৱা (Grace Period)-ৰ ভিতৰতে বীমাকৰ্তাই পলিচীৰ বাবে দিবলগীয়া প্ৰিমিয়াম প্ৰাপ্ত কৰে তেতিয়া পলিচীৰ নৱীকৰণ কাম হৈ পৰে আৰু সক্ৰিয়ৰূপে পলিচীৰ স্থিতি আপডেট কৰি দিয়া হয়।

তলত উল্লেখ কৰাৰ দৰে নৱীকৰণ প্ৰিমিয়াম পৰিশোধ কৰাৰ বাবে পলিচী ধাৰকৰ ওচৰত বিভিন্ন বিকল্প উপলব্ধ হৈ আছে।

### 1. এচবিআই লাইফ ৱেবচাইট

পলিচী ধাৰকে চাৰ্ভিচেচ বিভাগৰ অন্তৰ্গত থকা পে' প্ৰিমিয়াম অনলাইন বিকল্পৰ জৰিয়তে ৱেবচাইটৰ পৰা পোনপটীয়াকৈ প্ৰিমিয়ামৰ ধন পৰিশোধ কৰিব পাৰিব। বিকল্প স্বৰূপে ৱেবচাইটৰ লেণ্ডিং পৃষ্ঠাত উপলব্ধ গ্ৰাহক চেল্ফ চাৰ্ভিচ পৰ্টালত লগইন কৰিও ধন পৰিশোধ কৰিব পৰা যাব।

### 2. ইলেক্ট্ৰনিক ফাণ্ড ট্ৰেঞ্চফাৰ (ইএফটি)

এই বিকল্পৰ জৰিয়তে, নগদ ধনৰ দ্বাৰা (49,999 টকা পৰ্যন্ত) বা চেক অথবা ডাইৰেক্ট ডেবিটৰ দ্বাৰা প্ৰিমিয়াম পৰিশোধ কৰিলে, সেই প্ৰিমিয়াম ইএফটি-ৰ জৰিয়তে পঠিয়াই দিয়া হ'ব এচবিজি শাখাৰ পৰা য'ত প্ৰিমিয়াম প্ৰাপ্ত কৰা হয়।

### 3. ডাইৰেক্ট ৰেমিটেন্স

পলিচী ধাৰকে সমীপস্থ এচবিআই লাইফ-ৰ শাখালৈ যাব পাৰে আৰু তাত চেক/ডিমাণ্ড ড্ৰাফ্টৰ জৰিয়তে প্ৰিমিয়াম ভৰিব পাৰে।

### 4. নেট বেঙ্কিং

পলিচী ধাৰকে বিলাৰ ৰূপে এচবিআই-ক যোগ দি এচবিআই-ৰ নেট বেঙ্কিং সুবিধাৰ জৰিয়তে প্ৰিমিয়াম ভৰিব পাৰে। প্ৰয়োজনীয় বিৱৰণ প্ৰদান কৰি ধন পৰিশোধ কৰি দিব পাৰি।

### 5. এচআই-ক্ৰেডিট কাৰ্ড

এচবিআই লাইফ-ৰ শাখাসমূহৰ যিকোনো এটাতে মেণ্ডেট ফৰ্ম পূৰাই সেইখন দাখিল কৰাৰ পিছত ক্ৰেডিট কাৰ্ড ব্যৱহাৰ কৰি অটো পে'মেন্ট কৰা সম্ভৱ।

### 6. কেশ্ব ৰেমিটেন্সৰ জৰিয়তে

49,999 টকা পৰ্যন্ত প্ৰিমিয়ামৰ ধনৰাশি কাৰুৰ ব্যাস বেঙ্ক (কেভিবি), এপি অনলাইন, এমপি অনলাইন আৰু কমন চাৰ্ভিচ চেন্টাৰ সমূহত গ্ৰহণ কৰা হয়। ডাইৰেক্ট ডেবিট সুবিধাও কেভিবি-ৰ শাখাসমূহত পোৱা যায়।

### 7. পে'মেন্ট এপ্লিকেশ্যনৰ জৰিয়তে

এপ্লিকেশ্যন্চ যেনে ধৰক পে'টিএম, গুগল পে', ফোনপে', এচবিআই য়োনো আদিত বীমা বিভাগৰ অধীনত বীমাৰ বাবে ধন পৰিশোধ কৰিব পৰাৰ সুবিধা আছে।

### 8. অন্য ই-ৱালেট্চৰ জৰিয়তে

এই ই-ৱালেট সমূহকো প্ৰিমিয়ামৰ ধন পৰিশোধ কৰাৰ বাবে ব্যৱহাৰ কৰিব পৰা যাব : পেটিএম, গুগল পে, ফোনপে, এমেজন পে, ৰিলায়েন্স জিঅ'মানি, এয়াৰটেল মানি, মোবিকুইক, অক্সিজেন ৱালেট আদি।

### 9. এচবিআই ম'বাইল বেঙ্কিং

পলিচী ধাৰকে তদুপৰি আগতীয়াকৈয়ে 90 দিন পৰ্যন্ত দিবলগীয়া হৈ থকা প্ৰিমিয়াম ডিডি/চেকৰ জৰিয়তে দি থব পাৰিব এই চৰ্তত যে সেই প্ৰিমিয়াম একেটা বিত্তীয় বছৰৰ ভিতৰতে দিবলগীয়া প্ৰিমিয়াম হ'ব লাগিব।

অনলাইন প্ৰিমিয়াম কেৱল 30 দিনৰ আগতে পৰিশোধ কৰি থব পৰা যাব (মাহেকীয়া ধৰণেৰে দিবলগীয়া পৰম্পৰাগত পলিচীৰ ক্ষেত্ৰত 15 দিন আগতে)

**অনুগ্ৰহ কৰি মন কৰিব যে :**

1. আগতীয়াকৈ পৰিশোধ কৰা প্ৰিমিয়ামৰ ধনৰ বাবে কোনো সুদ দিয়া নহয়।
2. প্ৰিমিয়ামৰ ৰচিদ আৰু প্ৰিমিয়াম পৰিশোধৰ প্ৰমাণপত্ৰ কেৱল দেয় তাৰিখত প্ৰিমিয়ামৰ এডজাষ্টমেন্ট কৰাৰ পিছতহে প্ৰদান কৰিব পৰা যাব।

**আপোনাৰ প্ৰিমিয়াম পৰিশোধৰ প্ৰমাণপত্ৰ প্ৰাপ্ত কৰক :**
**মিছ্ড কল দিয়ক এই নম্বৰলৈ 022-27599904**

আপোনাৰ পলিচীৰ নৱীকৰণ

## পলিচীৰ সৈতে জড়িত সেৱাসমূহ

পলিচীৰ জীৱনকালৰ ভিতৰত ম্যাদৰ শেষ পৰ্যন্ত এনে বহুতো উপলক্ষ্য থাকিব যেতিয়া পলিচী ধাৰকক বীমাকৰ্তাৰ বিভিন্ন সেৱাৰ প্ৰয়োজন পৰিব। এনে সেৱা সমূহ বিত্তীয় সম্বন্ধীয় হ'বও পাৰে বা নহ'বও পাৰে আৰু বাছি লোৱা বীমা প্ৰডাক্টৰ ওপৰত নিৰ্ভৰ কৰি এনে সেৱা ভিন্ন ভিন্ন হ'ব পাৰে।

### ক. বিত্তীয় সেৱাসমূহ

### ক. ফ্ৰী লুক কেঞ্চেলেশ্যন (এফএলচি)

দফা 10 আইআৰডিএআই (পলিচী ধাৰকৰ স্বাৰ্থৰ সুৰক্ষা) উপবন্ধ, 2017 অনুযায়ী, পলিচী ধাৰকে পলিচীৰ নিয়ম আৰু চৰ্তসমূহ পৰ্যালোচনা কৰি চাব পাৰিব ডিষ্টেন্স মাৰ্কেটিং আৰু ইলেক্ট্ৰনিক পলিচী বাদ দি অন্য মাধ্যমৰ জৰিয়তে লোৱা পলিচীৰ ক্ষেত্ৰত পলিচী ডকুমেন্ট প্ৰাপ্ত কৰা তাৰিখৰ পৰা 15 দিনৰ ফ্ৰী লুক কালছোৱাৰ ভিতৰত তথা ডিষ্টেন্স মাৰ্কেটিং আৰু ইলেক্ট্ৰনিক পলিচীৰ জৰিয়তে লোৱা পলিচীৰ ক্ষেত্ৰত 30 দিনৰ ভিতৰত। যদিহে পলিচীৰ নিয়ম আৰু চৰ্তসমূহৰ সৈতে পলিচী ধাৰক সন্মত নহয় আৰু পলিচীখন বাতিল কৰিব বিচাৰে, তেন্তে তেওঁ লিখিতভাৱে আপত্তিৰ কাৰণ দৰ্শাই পলিচীখন ৰদকৰণৰ বাবে ঘূৰাই দি এই কাম কৰিব পাৰে।

এই ফ্ৰী লুক কালছোৱা হিচাপ কৰি উলিওৱাৰ বাবে মাজত পৰা বন্ধ দিন আৰু কৰ্ম বিৰতিৰ দিনসমূহ বাদ দিয়া নহয়।

আপোনাৰ ৰেজিষ্টাৰ্ড ম'বাইল নম্বৰৰ পৰা 022-27599901-লৈ এটা মিছ্‌ড কল মাত্ৰ দি আপোনাৰ ইউলিপ পলিচীৰ বৰ্তমানে ফাণ্ড ভেল্যু কিমান জানি লওক।

বা পঠিয়াওক

FV <<স্পেচ>> (পলিচী নম্বৰ) 56161 বা 9250001848-লৈ

পলিচী ধাৰকে ফ্ৰী লুক কালছোৱাৰ ভিতৰত পলিচী ঘূৰাই দিয়াৰ ক্ষেত্ৰত, তেওঁ ইঞ্চিওৰেন্স কোম্পানীৰ পৰা প্ৰিমিয়াম ঘূৰাই পাবলৈ যোগ্য হ'ব, কিন্তু তাৰ পৰা ডাক্তৰী পৰীক্ষাৰ খৰচ, ষ্টাম্প ডিউটীৰ মাচুল, সুৰক্ষাৰ কালছোৱাৰ বাবে প্ৰযোজ্য কৰ আৰু/বা অন্য যিকোনো বাধ্যতামূলক উদ্‌গ্ৰহণ/কৰ/উপকৰ আদি কৰ্তন কৰা হ'ব।

ইউলিপ পলিচীৰ ক্ষেত্ৰত, সেই তাৰিখ অনুযায়ী স্থিত ফাণ্ড ভেল্যুৰ লগতে নিম্নলিখিত মাচুল সমূহ ঘূৰাই দিয়া হ'ব :

প্ৰিমিয়াম আবন্টন শুল্ক

পলিচী প্ৰশাসন শুল্ক, যদি থাকে

মৰণশীলতা শুল্ক,

দুৰ্ঘটনামূলক মৃত্যু লাভ শুল্ক, যদি থাকে

আৰু অনুৰূপ প্ৰযোজ্য কৰসমূহ

লগতে, ডাক্তৰী খৰচ (যদি থাকে), ষ্টাম্প ডিউটী শুল্ক আৰু সমানুপাতিক ৰিস্ক প্ৰিমিয়ামৰ লগতে অনুৰূপ প্ৰযোজ্য কৰসমূহো কৰ্তন কৰা হ'ব।

কোনো বাদ-বিবাদৰ ক্ষেত্ৰত, পলিচী ধাৰকে পলিচী ডক্যুমেন্ট প্ৰাপ্ত কৰাৰ তাৰিখ ৰূপে গণ্য কৰা হ'ব পলিচী ৱেবচাইটত আপডেট কৰা অনুযায়ী অথবা ইণ্ডিয়া পোষ্ট বা ব্লু ডাৰ্টৰ দ্বাৰা দৃঢ় প্ৰতিপন্ন কৰা অনুযায়ী ডেলিভাৰী কৰাৰ তাৰিখক।

কেৱল অতি ব্যতিক্ৰমী ক্ষেত্ৰত, পলিচী ধাৰকে দাখিল কৰিব পৰা বিলম্বিত ডেলিভাৰীৰ অন্য যিকোনো প্ৰমাণকে সুযোগ্য কৰ্তৃপক্ষৰ একমাত্ৰ বিবেচনাধীনতহে গ্ৰহণ কৰা হ'ব।

ৰদকৰণৰ বাবে পলিচী ধাৰকে অৰিজিনেল পলিচী ডক্যুমেন্ট আৰু অৰিজিনেল ফাৰ্ষ্ট প্ৰিমিয়ামৰ ৰচিদ (পলিচী ডক্যুমেন্টত উপলব্ধ) ঘূৰাই দিব লাগিব।

স্থগিত পেঞ্চন পলিচীৰ ন্যস্ত ধনপ্ৰাপ্তিৰ পৰা অথবা এনপিএচ-ৰ জমাধনৰ পৰা অনা এন্যুইটী প্লাছ পেনচন প্ৰডাক্টৰ ক্ষেত্ৰত, ফ্ৰী লুক কেঞ্চেলেশ্যনৰ ধন পলিচী ধাৰকক ঘূৰাই দিয়া নহ'ব। গ্ৰাহকে বাছি দিয়া অনুযায়ী অন্য যি কোনো এন্যুইটী প্ৰদানকৰ্তাকে এফএলচি-ৰ ধন পৰিশোধ কৰা হ'ব আৰু একমুঠে লবৰ বাবে দাবী কৰিব পৰা নাযাব।

### খ. ফাণ্ডৰ আংশিক ধন-আহৰণ

আংশিক ধন-আহৰণ হ'ল এনে এটা সুবিধা যি পলিচীৰ নিয়ম আৰু চৰ্ত সাপেক্ষে ইউলিপ আৰু ভেৰিয়েবল ইঞ্চিওৰেন্স পলিচীৰ সমস্ত যোগ্য পলিচী ধাৰককে তেওঁলোকৰ ফাণ্ড ভেল্যুৰ এটা অংশ উলিয়াই নিবলৈ অনুমতি দিয়ে। পলিচী বন্ধ নকৰাকৈয়ে পলিচী ধাৰকৰ নগদ ধনৰ প্ৰয়োজনীয়তা (ভৱিষ্যতৰ পৰিকল্পিত/অপৰিকল্পিত প্ৰয়োজন) পূৰাবলৈ এনে ধনৰাশি আৱশ্যক হ'ব পাৰে। কেৱল পলিচী আৰম্ভ হোৱা তাৰিখৰ পৰা 5 বছৰৰ লক-ইন কালছোৱাৰ পিছত আৰু পলিচী বলবৎ হৈ ৰোৱা স্থিতি সাপেক্ষেহে এই সুবিধা লব পৰা যাব। প্ৰডাক্ট অনুযায়ী পলিচী ধাৰকে উলিয়াব পৰা সৰ্বাধিক ধনৰাশি আৰু কেই বাৰ উলিয়াব পাৰিব তাৰ সংখ্যা ভিন ভিন্ন হ'ব। এক নিৰ্দিষ্ট সংখ্যক বাৰ বিনামূল্যে উলিয়াবলৈ জীৱন বীমা কৰ্তাই অনুমতি দিয়ে।

আংশিক ধন-আহৰণ কৰিবলৈ দিয়া হয় প্ৰতিটো ফাণ্ডৰে যথোচিত সংখ্যক ইউনিট নগদীকৰণ কৰি। আংশিক ধন-আহৰণত প্ৰদেয় ধনৰাশি কোম্পানীৰ আংশিক ধন-আহৰণ মাচুল (যদিহে প্ৰযোজ্য) আৰু টিডিএচ কৰ্তন কৰি লোৱাৰ অধীন হ'ব আৰু ইয়াক লোৱা হ'ব ধন-আহৰণৰ সময়ত উলিয়াব ধৰা ধনৰাশিৰ পৰা। এবাৰ এইদৰে আংশিক ধন-আহৰণ কৰাৰ পিছত, ফাণ্ড ভেল্যু আপোনা-আপুনি সেই পৰ্যন্ত কম হৈ পৰিব।

আংশিক ধন-আহৰণ এনে পলিচীৰ ক্ষেত্ৰত নিষ্পত্তিৰ কালছোৱাৰ মাজত কৰিব পৰা নাযাব, যাৰ নিষ্পত্তিৰ কালছোৱাক ম্যাদপূৰ্ণৰ ধন পৰিশোধৰ বাবে বা মৃত্যু লাভৰ ধন পৰিশোধৰ বাবে বাছি লোৱা হৈছে।

এই বিকল্প বাছি লোৱাৰ সময়ত অনুমোদন দিবলৈ চহী কৰাৰ বাবে পলিচী ধাৰকে অৰিজিনেল পলিচী ডকুমেন্ট দাখিল কৰাৰ প্ৰয়োজন পৰিব। এই ডকুমেন্টৰ লগতে থাকিব লাগিব পলিচী ধাৰকে যথাবিহিতভাৱে পূৰোৱা আৰু চহী কৰা ডাইৰেক্ট ক্ৰেডিট মেণ্ডেট, পূৰ্বে মুদ্ৰিত নাম যুক্ত এখন কেঞ্চেল কৰা চেক তথা নো ইয়ৰ কাষ্টমাৰ (কেওৱাইচি) ডকুমেন্ট (বয়স, পৰিচয় আৰু ঠিকনাৰ প্ৰমাণ)-ৰ নিজেই চহী কৰি দিয়া প্ৰতিলিপি।

## গ. পলিচীৰ সমৰ্পণ

পলিচীৰ ম্যাদৰ ভিতৰত যিকোনো সময়তে পলিচী সমৰ্পণ (নিয়ম আৰু চৰ্ত অনুযায়ী) কৰি দিবলৈ পলিচী ধাৰকে সিদ্ধান্ত লব পাৰিব। এই সমৰ্পণ হ'ল পলিচীৰ ম্যাদ শেষ হোৱাৰ আগতেই পলিচী ধাৰকৰ দ্বাৰা পলিচী চুক্তিৰ স্বেচ্ছাকৃত ভাৱে কৰা সমাপ্তি। যদিহে সমৰ্পণ কৰাৰ তাৰিখ পলিচীৰ লক-ইন কালছোৱাৰ ভিতৰতে পৰে, তেন্তে পলিচী ধাৰকে লক-ইন কালছোৱাৰ সমাপ্তি ঘটাৰ পিছতহে সমৰ্পণ মূল্য প্ৰাপ্ত কৰিব। যদিহে কোম্পানীয়ে সমৰ্পণৰ বাবে জনোৱা অনুৰোধ লক-ইন কালছোৱাৰ সমাপ্তি ঘটাৰ পিছতহে প্ৰাপ্ত কৰে, তেন্তে সমৰ্পণ মূল্য লগে লগে পৰিশোধ কৰা হ'ব।

ইউলিপ প্ৰডাক্টৰ ক্ষেত্ৰত, প্ৰদেয় সমৰ্পণ মূল্য হ'ব সমৰ্পণ মাচুল কৰ্তন কৰি সমৰ্পণৰ তাৰিখ অনুযায়ী থকা ফাণ্ড ভেল্যু। ফাণ্ড ভেল্যু হ'ব পলিচীৰ অধীনত থকা বিভিন্ন ফাণ্ডৰ সেই সময়ত স্থিত ইউনিটৰ সংখ্যা আৰু সমৰ্পণৰ তাৰিখ অনুযায়ী থকা কাৰ্যকৰী এনএভি-ৰ ওপৰত ভিত্তি কৰি।

নন-ইউলিপ পলিচীৰ ক্ষেত্ৰত, গেৰান্টীড সমৰ্পণ মূল্য (জিএচভি) আৰু স্পেচিয়েল সমৰ্পণ মূল্য (এচএচভি) হিচাপ কৰি উলিওৱা হ'ব আৰু যি টোৱে বেছি হ'ব তাক পৰিশোধ কৰা হ'ব।

আংশিক ধন-আহৰণ আৰু পলিচী সমৰ্পণৰ বাবে, এচবিআই লাইফ-ক সেই দিনটোৰ বিয়লি 3 বজাৰ আগতেই অনুৰোধ জনাব লাগিব। সাপ্তাহিক দিনত আবেলি 3 বজাৰ আগতে প্ৰাপ্ত কৰা অনুৰোধ সেই দিনটোৰ সমাপ্তিৰ এনএভি-ৰ সৈতে কাৰ্যান্বিত কৰা হ'ব। আবেলি 3 বজাৰ পিছত প্ৰাপ্ত কৰা অনুৰোধ পৰৱৰ্তী কামৰ দিনটোৰ সমাপ্তিৰ এনএভি-ৰ সৈতে কাৰ্যান্বিত কৰা হ'ব যেতিয়া মাৰ্কেট কাৰ্যৰত হৈ ৰব। অনুৰোধ প্ৰাপ্ত কৰা অনুযায়ী পলিচী ধাৰকলৈ ধনৰাশি হিচাপ কৰাৰ বাবে ব্যৱহৃত ফাণ্ড ভেল্যু নিৰ্ধাৰণ কৰিবলৈ এনএভি-ৰ কথা বিবেচনা কৰা হয়।

সাধাৰণতে সমস্ত বিত্তীয় সেৱাৰ বাবে, পলিচী ধাৰকে অৰিজিনেল পলিচী ডকুমেন্টৰ সৈতে ওচৰৰ এচবিআই লাইফ শাখালৈ অহাৰ, আৱশ্যকীয় প্ৰপত্ৰ পূৰোৱাৰ আৰু বেঙ্ক একাউন্ট সম্বন্ধীয় তথ্য দাখিল কৰাৰ প্ৰয়োজন পৰে।

## ঘ. পলিচীৰ বিপৰীতে লোন

কিছুমান পৰম্পৰাগত প্ৰডাক্টৰ বাবে পলিচীৰ নিয়ম আৰু চৰ্তৰ ওপৰত ভিত্তি কৰি, ক্ৰয় কৰা পলিচীৰ বিপৰীতে পলিচী ধাৰকে লোন লব পাৰে এই চৰ্তত

যে পলিচীয়ে সমৰ্পণ মূল্য আহৰণ কৰিব লাগিব আৰু পলিচী বলৱৎ হৈ ৰব লাগিব। লোন ৰূপে লব পৰা সৰ্বোচ্চ আৰু সৰ্বনিম্ন ধনৰাশি আৰু লোনৰ বাবে সুদৰ হাৰ হ'ব পলিচীৰ নিয়ম আৰু চৰ্তত উল্লেখ কৰাৰ দৰে।

## খ. অনা-বিত্তীয় সেৱাসমূহ

তলত তালিকাবদ্ধ অনা-বিত্তীয় সেৱাসমূহৰ বেছি ভাগৰে বাবে, পলিচী ধাৰকে সংশ্লিষ্ট ডকুমেন্টৰ সৈতে ওচৰৰ এচবিআই লাইফৰ শাখালৈ আহিব পাৰে, প্ৰপত্ৰ পূৰাব পাৰে আৰু দাখিল কৰিব পাৰে।

## ক. পলিচীৰ স্বত্বনিয়োগ

বীমা অধিনিয়ম, 1938-ৰ ধাৰা 38 অনুযায়ী, পলিচীৰ স্বত্বনিয়োগৰ সৈতে জড়িত থাকে এছাইনৰ (স্বত্বনিয়োগকৰ্তা)-ৰ পৰা এছাইনী (স্বত্বনিয়োগী)-লৈ লাইফ ইঞ্চিওৰেন্স পলিচীৰ অধীনত সম্পূৰ্ণৰূপে বা চৰ্তসাপেক্ষে লাভদায়ক স্বাৰ্থ, অধিকাৰ আৰু স্বত্বপত্ৰ আদিৰ হস্তান্তৰ কাৰ্য। এখন পলিচীৰ সম্পূৰ্ণকৈ বা আংশিকভাৱে স্বত্বনিয়োগ কৰিব পৰা যাব। কিন্তু একেখন পলিচীৰ অধীনত প্ৰদেয় বাকী ৰোৱা ধনৰাশি পুনৰ স্বত্বনিয়োগ বা হস্তান্তৰ কৰিবলৈ পলিচী ধাৰক যোগ্য নহ'ব।

মূলতঃ দুই প্ৰকাৰৰ স্বত্বনিয়োগ আছে :

**ক. 1. সম্পূৰ্ণ স্বত্বনিয়োগ :** সম্পূৰ্ণ স্বত্বনিয়োগ হ'ল এখন পলিচীৰ অধীনত এছাইনৰ (স্বত্বনিয়োগকৰ্তা)-ৰ পৰা এছাইনী (স্বত্বনিয়োগী)-লৈ সমস্ত অধিকাৰ আৰু আইনগত বাধ্যবাধকতাৰ পূৰাকৈ কৰা হস্তান্তৰ।

উদাহৰণ :

- বেঙ্ক/বিত্তীয় সংস্থা এটাই মঞ্জুৰি দিয়া লোন বা এডভান্সৰ বিপৰীতে বেঙ্ক/বিত্তীয় সংস্থালৈ কৰা স্বত্বনিয়োগ।
- উপহাৰ স্বৰূপে তেজৰ সম্বন্ধ থকা কোনো আত্মীয়লৈ কৰা পলিচীৰ স্বত্বনিয়োগ

**ক.2. চৰ্তসাপেক্ষ স্বত্বনিয়োগ :** চৰ্তসাপেক্ষ স্বত্বনিয়োগ মানে হ'ল কিছুমান চৰ্ত পূৰণ কৰা সাপেক্ষে এছাইনৰ (স্বত্বনিয়োগকৰ্তা)-ৰ পৰা এছাইনী (স্বত্বনিয়োগী)-লৈ পলিচীৰ অধিকাৰ হস্তান্তৰ কৰা। কেৱল নিৰ্দিষ্ট সময়ছোৱাৰ বাবেহে ইয়াক কৰা হয়। এবাৰ চৰ্ত পূৰণ হোৱাৰ পিছত, পলিচীৰ অধীনৰ স্বত্বপত্ৰ আপোনা-আপুনি ইয়াৰ মূল মালিক অৰ্থাৎ এছাইনৰ (স্বত্বনিয়োগকৰ্তা)-লৈ ন্যস্ত হৈ পৰিব। অৱশ্যে চৰ্তসমূহ

এছাইনৰ (স্বত্বনিয়োগকৰ্তা)-ৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰা উচিত নহয়।

চৰ্তসাপেক্ষ স্বত্বনিয়োগীয়ে পলিচীত লোন পাবলৈ বা পলিচী সমৰ্পণ কৰিবলৈ যোগ্য নহ'ব।

**পুনঃস্বত্বনিয়োগ :** পুনঃস্বত্বনিয়োগ মানে হ'ল লাইফ ইন্সিওৰেন্স পলিচীৰ অধীনত লাভদায়ক স্বাৰ্থ, অধিকাৰ আৰু স্বত্বপত্ৰ আদি পুনৰ অৰিজিনেল পলিচী ধাৰকক ঘূৰাই দিয়া কাৰ্য।

**খ. ডুপ্লিকেট পলিচী বণ্ডৰ বাবে অনুৰোধ**

এনে বহুতো দৃষ্টান্ত আছে যেতিয়া প্ৰস্তাৱ গ্ৰহণ কৰাৰ আৰু পলিচী জাৰি কৰাৰ পিছতো আনকি পলিচী ধাৰকে পলিচী ডকুমেন্টৰ কাগজৰ ৰূপত প্ৰতিলিপি নোপোৱাকৈ থাকে। অথবা এনেকুৱাও হ'ব পাৰে যে পলিচী বণ্ড হেৰাই গৈছে বা ঠিক কৰিব নোৱৰাকৈ নষ্ট হৈছে।

এনে পৰিস্থিতিৰ ক্ষেত্ৰত পলিচী ধাৰকে মুদ্ৰণ খৰচ আৰু প্ৰয়োজনীয় ষ্টাম্প ডিউটী সামৰি সামান্য মাচুল পৰিশোধ কৰাৰ পিছত ডুপ্লিকেট পলিচী বণ্ড জাৰি কৰিবলৈ আৱেদন জনাব পাৰিব।

দাখিল কৰাৰ বাবে প্ৰয়োজনীয় নথিপত্ৰ সমূহ হ'ল :

1. ডুপ্লিকেট পলিচী প্ৰশ্নাৱলী

2. ইমডেমনিটী বণ্ড, যথাবিহিত নোটাৰাইজ কৰা আৰু যিখন ৰাজ্যত ইমডেমনিটী প্ৰস্তুত কৰা হৈছে সেইখন ৰাজ্যৰ বাবে যথোপযুক্ত মূল্যৰ সৈতে সম্পন্ন কৰা

3. নিজেই প্ৰত্যায়িত কৰা শেষতীয়া ফটোগ্ৰাফ ইমডেমনিটী বণ্ডত লগাই দিব লাগিব

4. নিজেই প্ৰত্যায়িত কৰা বয়স, পৰিচয় আৰু ঠিকনাৰ প্ৰমাণ (কেওৱাইচি নথিপত্ৰ)

5. পলিচী প্ৰস্তুতকৰণ মাচুলৰ বাবে তথা প্ৰডাক্টৰ বৈশিষ্ট্য অনুযায়ী প্ৰয়োজন পৰা ইন্সিওৰেন্স ষ্টাম্প ফিজৰ যথোপযুক্ত ধনৰাশিৰ সৈতে ডিমাণ্ড ড্ৰাফ্ট বা চেক (বিতং তথ্য পাব পৰা যাব এচবিআই লাইফৰ শাখাৰ কৰ্মচাৰী/আইএ/চিআইএফ-ৰ পৰা)

6. ওপৰত উল্লেখ কৰা প্ৰয়োয়নীয় নথিপত্ৰৰ উপৰিও পলিচীৰ সৈতে জড়িত নিম্নোক্ত নথিপত্ৰৰ যিকোনো এবিধ দিব লাগিব।

ক) পুৰণি প্ৰিমিয়ামৰ ৰচিদ (ছমাহৰ ভিতৰৰ)

খ) এচবিআই লাইফ প্ৰিমিয়ামৰ হৈ ডেবিট কৰা দেখুৱাই দিয়া বেঙ্ক পাছবুকৰ প্ৰতিলিপি

বা

গ) গ্ৰাহকলৈ এচবিআই লাইফৰ পৰা দিয়া অন্য যিকোনো পত্ৰসংযোগ

7. যেতিয়াই বীমাকৃত ধনৰাশি 5 লাখ টকাতকৈ বেছি হ'ব, তেতিয়া ওপৰত উল্লেখিত বাধ্যতামূলক প্ৰয়োজনীয়তাৰ উপৰিও, তলত দিয়াৰ দৰে অতিৰিক্ত প্ৰয়োজনীয়তা কিছুমান অনুপালন কৰা হ'ব :

ক) দাখিল কৰা ইমডেমনিটীৰ অংশ হ'বলৈ সুদৃঢ় আৰ্থিক স্থিতি থকা এজন ব্যক্তিৰ জমানত। জমানত দিয়া জনৰ কেওৱাইচি ডক্যুমেন্ট প্ৰাপ্ত কৰা হ'ব।

বা

খ) স্থানীয় বাতৰি কাকতত দিয়া বিজ্ঞাপন আৰু 30 দিনৰ অপেক্ষা কালৰ সমাপ্তি ঘটাৰ পিছত তাৰিখৰ সৈতে পাব্লিকেশ্যনৰ নাম প্ৰদৰ্শিত হৈ থকা বাতৰি কাকতৰ কাৰ্টিঙৰ সৈতে জনোৱা আৱেদন।

পলিচী ধাৰকে প্ৰয়োজনীয় ডক্যুমেন্টৰ সৈতে আমাৰ শাখালৈ অহাটো বাধ্যতামূলক।

**গ. যোগাযোগৰ বিৱৰণৰ আপডেট**

পলিচী ধাৰকে পলিচীৰ ম্যাদৰ ভিতৰত যিকোনো সময়তে তেওঁৰ লাইফ ইঞ্চিওৰেন্স পলিচীত সংযোগসাধনৰ ঠিকনা, ইমেইল আইডি আৰু যোগাযোগৰ নম্বৰত ঘটা পৰিবৰ্তন আপডেট কৰিব পাৰিব।

ঠিকনাৰ পৰিবৰ্তনৰ বাবে, পলিচী ধাৰকৰ ওচৰত বিকল্প আছে অনলাইন কাষ্টমাৰ পৰ্টাল (মাই পলিচী)-ত লগইন কৰিব পৰাৰ, ইয়াৰ পিছত ঠিকনা পৰিবৰ্তন বিকল্প বাছি লব লাগিব, ঠিকনা পৰিবৰ্তন কৰিব লাগিব আৰু ঠিকনাৰ প্ৰমাণ সংলগ্ন কৰি দিব লাগিব। বিকল্প স্বৰূপে ঠিকনা আপডেট কৰিব

পৰা যাব প্ৰয়োজনীয় নথিপত্ৰৰ সৈতে সমীপস্থ এচবিআই লাইফৰ শাখালৈ আহি। ঠিকনা আপডেট কৰাৰ পিছত, ঠিকনাৰ পৰিবৰ্তন দৃঢ় প্ৰতিপন্ন কৰি এখন পত্ৰ নতুন আৰু পুৰণি দুয়োটা ঠিকনালৈকে পঠিয়াই দিয়া হয়।

ইমেইল আইডি আপডেট কৰিব পৰা যাব কাষ্টমাৰ চেল্ফ চাৰ্ভিচ পৰ্টাল (মাই পলিচী)-ৰ জৰিয়তে অনলাইনত বা সমীপস্থ এচবিআই লাইফৰ শাখালৈ আহি। সুৰক্ষা ব্যৱস্থাৰ কাৰণে, যোগাযোগৰ নম্বৰ সমীপস্থ এচবিআই লাইফৰ শাখালৈ ব্যক্তিগতভাৱে আহিহে কেৱল আপডেট কৰিব পৰা যাব। শাখালৈ অহাৰ সময়ত, সত্যনিৰূপণৰ বাবে পলিচী ধাৰকে নিজৰ কেওৱাইচি-ৰ প্ৰমাণ লগতে লৈ আহিব লাগিব।

**ঘ. নামাঙ্কিত ব্যক্তিৰ বিৱৰণৰ আপডেট**

**বীমা পলিচীত নামাঙ্কিতকৰণৰ প্ৰয়োজনীয়তা :**

পলিচী ধাৰকে নামাঙ্কিতকৰণ প্ৰক্ৰিয়াৰ যোগেদি মৃত্যুৰ পিছত উত্তৰাধিকাৰ স্বত্বৰ প্ৰমাণপত্ৰৰ বা আইনী সমস্যাৰ জঞ্জালৰ মাজত নোসোমোৱাকৈয়ে তেওঁৰ দাবীৰ স্পষ্ট নিষ্পত্তিকৰণ সুনিশ্চিত কৰিব পাৰিব। এই নামাঙ্কিতকৰণ কৰিব পৰা যাব পলিচী কিনাৰ সময়ত অথবা পলিচীৰ সমাপ্তি ঘটাৰ আগতে যিকোনো সময়তে। বীমা অধিনিয়ম, 1938-ৰ ধাৰা 39-ৰ অধীনত, জীৱন বীমাৰ পলিচী এখনৰ ধাৰকে তেওঁৰ নিজৰ জীৱনকালত এনে এজন ব্যক্তি বা ব্যক্তিসমূহক পলিচীত নামাঙ্কিতকৰণ কৰিব পাৰে যাক তেওঁৰ মৃত্যু ঘটাৰ ক্ষেত্ৰত পলিচীৰ দ্বাৰা সুৰক্ষিত কৰা ধনৰাশি পৰিশোধ কৰিব লাগিব।

যি ক্ষেত্ৰত নামাঙ্কিত ব্যক্তি নাবালক (বয়স 18 বছৰতকৈ কম), সেই ক্ষেত্ৰত অন্য এজন ব্যক্তিক (নিযুক্ত ব্যক্তি) পলিচীৰ দ্বাৰা সুৰক্ষিত কৰা ধনৰাশি প্ৰাপ্ত কৰিবলৈ নিযুক্ত কৰা যাব পাৰে যদিহে নাবালক জনৰ বয়স 18 বছৰ হোৱাৰ আগতেই বীমাকৃত ব্যক্তিজনৰ মৃত্যু ঘটে। নিযুক্ত ব্যক্তিজন নিশ্চিতৰূপে প্ৰাপ্তবয়স্ক লোক হ'ব লাগিব আৰু কোনো চুক্তিত (তৎকালীন আইন অনুযায়ী) সোমাবলৈ যোগ্য হ'ব লাগিব তথা পৰাপক্ষত সেই নাবালক নামাঙ্কিত ব্যক্তিৰ ঘনিষ্ঠ আত্মীয় হ'ব লাগিব।

যিহেতু নামাঙ্কিতকৰণত ঘটা পৰিবৰ্তন পলিচীৰ পৃষ্ঠাঙ্কনৰ বাবে অপৰিহাৰ্য, সেয়ে আমাৰ শাখালৈ অহাৰ সময়ত পলিচী ডকুমেন্ট লগতে লৈ অহা যুগুত।

### ঙ. ফাণ্ড চুইচ আৰু ফাণ্ডৰ ৰিডিৰেকশ্যন

ফাণ্ড চুইচ হ'ল এনে এটা বিকল্প যাৰ অধীনত পলিচী ধাৰকে পলিচীত জমা হোৱা কিছু সংখ্যক বা সকলোবোৰ ইউনিট তৎকালীন ফাণ্ডৰ পৰা অন্য এটা বা একাধিক ফাণ্ডলৈ, চুইচ কৰা দিনটোত প্ৰযোজ্য সংশ্লিষ্ট ইউনিট প্ৰাইচত স্থানান্তৰ কৰিব পাৰে। চুইচ কৰাৰ বাবে কৰা অনুৰোধ প্ৰডাক্টৰ বৈশিষ্ট্য অনুযায়ী চুইচ কৰিবলৈ সৰ্বনিম্ন আৰু সৰ্বোচ্চ ধনৰাশি সাপেক্ষে, ধনৰাশি বা শতাংশৰ ভিত্তিত হ'ব পাৰিব। অ'টিপি সেৱা ব্যৱহাৰ কৰি অনলাইনযোগে এই কাম কৰিব পৰা যাব। বিকল্পস্বৰূপে, এই অনুৰোধ সমীপস্থ এচবিআই লাইফৰ শাখাত বিয়লি 3 বজাৰ আগতে (যিদিনা মাৰ্কেট কৰ্মৰত হৈ ৰয় সেইদিনা) দাখিল কৰিব পৰা যাব। যদিহে এই অনুৰোধ 3 বজাৰ পিছত প্ৰাপ্ত কৰা হয়, তেন্তে পৰবৰ্তী কামৰ দিনটোত ইয়াক কাৰ্যান্বিত কৰা হ'ব। ইউনিট আবন্টন কৰা হ'ব সেই দিনটোৰ বাবে প্ৰযোজ্য এনএভি অনুযায়ী।

এক নিৰ্দিষ্ট সংখ্যক চুইচ সাধাৰণতে বিনামূল্যে কৰি দিয়া হয়, কিন্তু তাতকৈ বেছি সংখ্যক বাৰ চুইচ কৰাৰ বাবে এটা মাচুল গ্ৰহণ কৰা হয়।

আনহাতে ফাণ্ড চুইচৰ বিপৰীতে, ৰিডিৰেকশ্যন অনুৰোধৰ জৰিয়তে প্ৰিমিয়াম দিবলগীয়া তাৰিখৰ আগৰ এছোৱা নিৰ্দিষ্ট কালৰ পূৰ্বে ভৱিষ্যতৰ প্ৰিমিয়ামৰ বাবে আবন্টনৰ শতাংশ পলিচী ধাৰকে সলাব পাৰিব পাৰে। বৰ্তমানৰ ইউনিটৰ ওপৰত ৰিডিৰেকশ্যনৰ কোনো প্ৰভাৱ নপৰে আৰু ইয়াক কৰিব পৰা যাব কেৱল পলিচী বলৱৎ হৈ ৰলেহে। ৰিডিৰেকশ্যনৰ অনুৰোধৰ বাবে পলিচী ধাৰকে সমীপস্থ এচবিআই লাইফৰ শাখাত অনুৰোধ প্ৰপত্ৰ দাখিল কৰিব লাগিব। স্বত্বনিয়োগ কৰা পলিচীৰ ক্ষেত্ৰত, কেৱল স্বত্বনিয়োগীয়েহে ৰিডিৰেকশ্যন অনুৰোধত চহী কৰিব লাগিব, যদিওবা প্ৰিমিয়ামৰ পৰিশোধ স্বত্বনিয়োগী বা স্বত্বনিয়োগকৰ্তা যিকোনো এজনৰ পৰা গ্ৰহণ কৰিব পৰা যাব।

### চ. পলিচীৰ পুনৰাৰম্ভণি

পলিচী প্ৰিমিয়ামৰ দেয় তাৰিখৰ আগতে বা অনুগ্ৰহ কালৰ ভিতৰত যেতিয়ালৈকে প্ৰিমিয়াম (এলপিপিটি আৰু ৰেগুলাৰ প্ৰিমিয়াম বিকল্পৰ অধীনত) পলিচী ধাৰকে আদায় দি থাকিব, তেতিয়ালৈকে পলিচী তামাদি বা লেপ্‌চ নহ'ব। পলিচী তেতিয়া লেপ্‌চ হৈ পৰে যেতিয়া অনুগ্ৰহ কালৰ

সমাপ্তি ঘটাৰ পিছতো প্ৰিমিয়াম পৰিশোধ কৰা নহয়। তাৰপিছত লাইফ ইঞ্চিওৰেন্স কোম্পানীয়ে পলিচী ধাৰকলৈ এটা বিকল্প আগবঢ়ায় যাৰদ্বাৰা এক নিৰ্দিষ্ট কালছোৱাৰ ভিতৰত প্ৰিমিয়াম পৰিশোধ কৰি পলিচীৰ স্থিতি সক্ৰিয় কৰি তুলিব পৰা যাব। এই প্ৰক্ৰিয়াকে পলিচীৰ পুনৰাৰম্ভণি বুলি কোৱা হয় আৰু এই সময়ছোৱাক কোৱা হয় পুনৰাৰম্ভণি কাল।

বাছি লোৱা ইঞ্চিওৰেন্স প্ৰডাক্টৰ প্ৰকাৰৰ ওপৰত নিৰ্ভৰ কৰি পুনৰাৰম্ভণি কাল ভিন্ন ভিন্ন হ'ব পাৰে আৰু এই কথা পলিচী ডক্যুমেন্টৰ মুখ্য বৈশিষ্ট্যৰ নথিপত্ৰত সুস্পষ্টৰূপত উল্লেখ কৰা আছে।

পলিচী ধাৰকে ৱেবচাইটত উপলব্ধ বিকল্পৰ জৰিয়তে পলিচী অনলাইনযোগে পুনৰাৰম্ভ কৰিবলৈ বাছি লব পাৰে অথবা এই প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ সমীপস্থ শাখালৈ তেওঁ আহিব পাৰে।

সাধাৰণতে পলিচী পুনৰাৰম্ভ কৰিবলৈ, পলিচী ধাৰকে প্ৰিমিয়াম নিদিয়া সময়ছোৱাৰ বাবে সুদ পৰিশোধ কৰাৰ প্ৰয়োজন পৰে। তদুপৰি, প্ৰিমিয়াম পৰিশোধ কৰাৰ সময়ত সুস্বাস্থ্যৰ ঘোষণাপত্ৰও দাখিল কৰিবলগীয়া হয়। সুস্বাস্থ্যৰ ঘোষণাপত্ৰ দিবলগীয়া হয় বীমাকৃত ব্যক্তিৰ বাবে। কিছুমান ক্ষেত্ৰত, বয়স আৰু বীমাকৃত ধনৰাশিৰ ওপৰত নিৰ্ভৰ কৰি, বীমাকৃত ব্যক্তিজনে ডাক্তৰী পৰীক্ষা কৰিবলগীয়াও হ'ব পাৰে।

পলিচী এবাৰ পুনৰাৰম্ভ কৰাৰ পিছত, পলিচী ধাৰকৰ পঞ্জীকৃত ঠিকনালৈ পলিচীৰ পুনৰাৰম্ভণিৰ দৃঢ় প্ৰতিপন্নকৰণৰ পত্ৰ পঠিয়াই দিয়া হ'ব।

ইউনিট লিংক্‌ড ইঞ্চিওৰেন্স পলিচীৰ ক্ষেত্ৰত, পুনৰাৰম্ভণিৰ কালছোৱা অথবা লক ইন কালছোৱা, যিটোৱেই পিছত পৰে, শেষ হোৱাৰ আগতেই যদি পলিচী পুনৰাৰম্ভ কৰা নহয়, তেন্তে পুনৰাৰম্ভণিৰ কালছোৱা শেষ হ'লেই পলিচীৰ সমাপ্তি ঘটোৱা হ'ব। কিন্তু যদিহে পুনৰাৰম্ভণিৰ কালছোৱা শেষ হোৱাৰ আগতেই পলিচীৰ ম্যাদৰ অন্ত পৰে, তেন্তে পলিচীৰ ম্যাদৰ শেষত পলিচীৰ সমাপ্তি ঘটোৱা হয়।

### ছ. নামৰ পৰিবৰ্তন

পলিচী ধাৰকে নামটো শুধৰাবলৈ বা নামটো পৰিবৰ্তন কৰিবলৈ বিকল্প লাভ কৰিব (বিয়াৰ পিছত নামত পৰিবৰ্তন ঘটাৰ দৰে)। ইয়াৰ বাবে পলিচী ধাৰকে যাৱতীয় সহায়ক নথিপত্ৰ লৈ আহিব লাগিব আৰু প্ৰপত্ৰ পূৰণ কৰিব লাগিব।

## জ. চহীৰ পৰিবৰ্তন

চাৰ্ভিচিঙৰ বিভিন্ন অনুৰোধৰ কাৰ্যান্বিতকৰণৰ প্ৰশ্ন যিমান দূৰ জড়িত হৈ থাকে সেই ক্ষেত্ৰত পলিচী ধাৰকৰ চহীটো হ'ল অন্যতম আৰু এটা অতিকৈ গুৰুত্বপূৰ্ণ ৰেকৰ্ড। পলিচী ধাৰকৰ পৰা প্ৰাপ্ত কৰা যিকোনো অনুৰোধৰ বাবে, চহীৰ সত্যনিৰূপণ কৰা অনিবাৰ্য। চহীৰ পৰিবৰ্তন ঘটাৰ ক্ষেত্ৰত, পলিচী ধাৰক সমীপস্থ শাখালৈ আহিব লাগিব আৰু কোম্পানীৰ ৰেকৰ্ডত চহী আপডেট কৰিব লাগিব।

## ঝ. ডিমেটেৰিয়েলাইজ/ৰিমেটেৰিয়েলাইজ পলিচী

ইঞ্চিওৰেন্স পলিচীৰ ডিমেটেৰিয়েলাইজেশ্যন হ'ল ইলেক্ট্ৰনিক মাধ্যমলৈ ইঞ্চিওৰেন্স পলিচীৰ ৰূপান্তৰণ আৰু সেই মাধ্যমত ইয়াৰ ধাৰণ। ডিমেটেৰিয়েলাইজেশ্যনৰ উদ্দেশ্যৰ হেতু পলিচী ধাৰকে সংশ্লিষ্ট ৱেবচাইট ভিজিট কৰি, শাখালৈ আহি বা যিকোনো বীমাকৰ্তাৰ সৈতে যথাবিহিত পূৰোৱা প্ৰপত্ৰ দাখিল কৰি, তলত উল্লেখিত চাৰিটা ইঞ্চিওৰেন্স ৰিপজিটৰীৰ যিকোনো এটাৰ সৈতে পলিচী ধাৰকে এটা ই-ইঞ্চিওৰেন্স একাউন্ট (e-IA) খুলিব লাগিব।

1. এনএচডিএল ডেটাবেছ মেনেজমেন্ট লিঃ
2. চেন্ট্ৰেল ইঞ্চিওৰেন্স ৰিপজিটৰী লিঃ
3. চিএএমএচ ইঞ্চিওৰেন্স ৰিপজিটৰী লিঃ
4. কাৰ্ভী ইঞ্চিওৰেন্স ৰিপজিটৰী লিঃ

e-IA খোলাৰ পিছত, পলিচী ধাৰকে সমীপস্থ এচবিআই লাইফৰ শাখাত ডিমেটেৰিয়েলাইজেশ্যনৰ বাবে প্ৰপত্ৰ দাখিল কৰিব লাগিব।

এবাৰ পলিচী ডিমেটেৰিয়েলাইজ কৰাৰ পিছত, পলিচী ধাৰকে ভৱিষ্যতে বীমাৰ কোনো প্ৰয়োজনীয়তাৰ বাবে পলিচী ডক্যুমেন্টৰ হাৰ্ড কপি দাখিল কৰাৰ প্ৰয়োজন নপৰিব, কেৱল যেতিয়া পলিচীৰ স্বত্বনিয়োগ কৰিবলগীয়া হয় সেয়া বাদ দি।

উদাহৰণ স্বৰূপে : বেঙ্কৰ পৰা লোৱা লোনৰ বাবে পলিচীৰ যেতিয়া বেঙ্কৰ ওচৰত স্বত্বনিয়োগ কৰিবলগীয়া হয়, তেতিয়া পলিচী ধাৰকে সমীপস্থ এচবিআই লাইফৰ শাখাত ৰি-মেটেৰিয়েলাইজেশ্যনৰ বাবে অনুৰোধ জনাব লাগিব। এবাৰ ডক্যুমেন্টৰ হাৰ্ডকপি প্ৰাপ্ত কৰাৰ পিছত ইয়াক স্বত্বনিয়োগ প্ৰক্ৰিয়াৰ বাবে দাখিল কৰিব পৰা যাব।

## দাবীৰ নিষ্পত্তিকৰণ

পলিচীৰ ম্যাদৰ ভিতৰত বীমাকৃত ব্যক্তিজন কোনো দুভাৰ্গ্যজনক ঘটনা, যেনে ধৰক মৃত্যু, গুৰুতৰ অসুস্থতা বা বিকলাঙ্গতা আদিৰ সন্মুখীন হয় তেন্তে লাইফ ইঞ্চিওৰেন্স প্ৰডাক্টে এক নিৰ্দিষ্ট পৰিমাণৰ ধন প্ৰদান কৰে। এনে পৰিস্থিতি সমূহৰ অধীনত পলিচীৰ নিয়ম আৰু চৰ্ত অনুযায়ী ধনৰ দাবী জনোৱাৰ বাবে হিতাধিকাৰী/নামাঙ্কিত ব্যক্তি/বৈধ উত্তৰাধিকাৰী/ বীমাকৃত ব্যক্তিয়ে নিজেই বীমাকৰ্তা কোম্পানীৰ সৈতে যোগাযোগ কৰিব লাগিব।

### 1. মৃত্যু দাবী

পলিচীৰ ম্যাদৰ ভিতৰত বীমাকৃত ব্যক্তিজনৰ মৃত্যু ঘটাৰ ক্ষেত্ৰত আৰু পলিচী বলৱৎ হৈ ৰোৱা সাপেক্ষে, হিতাধিকাৰী/নামাঙ্কিত ব্যক্তিয়ে ওচৰৰ এচবিআই লাইফৰ শাখাৰ সৈতে যোগাযোগ কৰি তাত মৃত্যুৰ প্ৰমাণ আৰু নামাঙ্কিত ব্যক্তি/হিতাধিকাৰীৰ পৰিচয়ৰ প্ৰমাণ, অৰিজিনেল পলিচী ডক্যুমেন্ট, যদিহে আছে, আদিৰ দৰে নথিপত্ৰৰ সৈতে লিখিতভাৱে আবেদন জনাব লাগিব। দাবীৰ নিষ্পত্তি নোহোৱালৈকে দাবীৰ অনুৰোধৰ স্থিতি জনাৰ বাবে আবেদনপত্ৰ জমা দিয়াৰ পিছত উদ্ভৱ ঘটোৱা ক্লেইম আইডি ব্যৱহাৰ কৰিব পৰা যাব।

### 2. ৰাইডাৰ দাবী

পলিচী ধাৰকে পলিচী লোৱাৰ সময়ত অতিৰিক্ত ৰাইডাৰ বাছি লোৱাৰ ক্ষেত্ৰত বা যদি কোনো ৰাইডাৰ সেই ইঞ্চিওৰেন্স প্ৰডাক্ট বিধৰ এটা ইনবিল্ট অংশ ৰূপে আছে, তেন্তে পলিচীৰ নিয়ম আৰু চৰ্ত অনুযায়ী সমীপস্থ এচবিআই লাইফৰ শাখাৰ ওচৰ চাপি ৰাইডাৰৰ দাবী জনাব পাৰিব।

### 3. ম্যাদপূৰ্ণ লাভ

পলিচীৰ ম্যাদ শেষ হোৱাৰ পিছত পলিচী ধাৰকক পৰিশোধ কৰা লাভকেই কোৱা হয় ম্যাদপূৰ্ণ লাভ। দেয় তাৰিখৰ আগতে, কোম্পানীয়ে যাৰ বাবে জাননী পঠিয়াইছে সেই ধন দিয়াৰ বাবে আৱশ্যকীয় নথিপত্ৰ পলিচী ধাৰকে দাখিল কৰাৰ প্ৰয়োজন পৰিব। পলিচী পুস্তিকাত উল্লেখ কৰাৰ দৰে একমুঠে অথবা নিষ্পত্তিকৰণ বিকল্প অনুযায়ী এই ধনৰাশি প্ৰদান কৰা হ'ব।

### 4. উত্তৰজীৱী লাভ

সংশ্লিষ্ট নিয়ম আৰু চৰ্ত অনুযায়ী পলিচী ম্যাদৰ ভিতৰত কিছুমান

ইঞ্চিওৰেন্স প্ৰডাক্টে নিয়মিতৰূপে পে'আউট প্ৰদান কৰে। এনে পে'আউটক কোৱা হয় উত্তৰজীৱী লাভ বুলি। পলিচী ধাৰকে তেওঁৰ কেওৱাইচি-ৰ প্ৰমাণ আৰু বেঙ্ক একাউন্টৰ প্ৰমাণ দাখিল কৰাৰ প্ৰয়োজন পৰিব পাৰে যদিহে তেওঁ আগতে এইবোৰ দাখিল কৰা নাই।

### 5. এন্যুইটী পে'আউট্চ

এন্যুইটী হ'ল সাময়িক ধন পৰিশোধ কৰিবলৈ বীমাকৰ্তাই কৰা চুক্তি যি এন্যুইটেন্ট (যিজন ব্যক্তিয়ে এন্যুইটী প্লেন লয় সেইজন) জীৱিত হৈ ৰোৱাৰ কালছোৱাত অব্যাহত হৈ ৰয় মৃত্যুৰ তাৰিখ পৰ্যন্ত বা প্ৰডাক্ট বিধ লোৱাৰ সময়ত এন্যুইটেন্টে বাছি লোৱা প্লেন অনুযায়ী এছোৱা নিৰ্দিষ্ট কালৰ বাবে। এন্যুইটী বিভিন্ন ধৰণেৰে পৰিশোধ কৰা হয়, উদাহৰণ স্বৰূপে, এন্যুইটী জীৱনৰ বাবে, জইন্ট লাইফ এন্যুইটী, পুঁজিৰ প্ৰত্যাৱৰ্তনৰ সৈতে এন্যুইটী ইত্যাদি।

দুবিধ মূল প্ৰকাৰৰ এন্যুইটী আছে :

**ক. বিলম্বিত এন্যুইটী :** বিলম্বিত এন্যুইটীৰ ক্ষেত্ৰত আছে এটা সঞ্চয় পৰ্যায় বা স্থগন কাল যি ন্যস্তকৰণ বয়সলৈকে থাকে। এই সময়ছোৱাত, এন্যুইটেন্টে সাময়িক প্ৰিমিয়াম পৰিশোধ কৰে যি পুঞ্জীভূত হ'ব ধৰে আৰু সুদ জমা হ'ব ধৰে। ন্যস্তকৰণৰ বয়সত, পুঞ্জীভূত ধনৰাশি পছন্দৰ এন্যুইটী প্লেন কিনিবলৈ ব্যৱহাৰ কৰা হয়। বাছি লোৱা এন্যুইটী ম'ডত ন্যস্তকৰণৰ বয়সৰ পৰা পেনচন/এন্যুইটী (উপাৰ্জন দশা) আৰম্ভ হ'ব ধৰে।

**খ. তৎকালিন এন্যুইটী :** প্ৰস্তাৱকে চিংগল প্ৰিমিয়ামৰ একমুঠে ধন পৰিশোধ কৰিবলগীয়া হয় এনে এন্যুইটীৰ বাবে যি বাছি লোৱা এন্যুইটী ম'ডৰ ওপৰত নিৰ্ভৰ কৰি প্ৰিমিয়াম পৰিশোধ কৰাৰ পিছত লগে লগে আৰম্ভ হয়।

এন্যুইটেন্টে তেওঁ বাছি লোৱা এন্যুইটী বিকল্পৰ ওপৰত নিৰ্ভৰ কৰি এন্যুইটী পে'আউট অব্যাহত ৰখাৰ বাবে বীমাকৰ্তাৰ ওচৰত 'চাৰ্টিফিকেট অৱ এগ্‌জিষ্টেন্স' দাখিল কৰাৰ প্ৰয়োজন পৰিব।

## শব্দকোষ

**সুস্বাস্থ্যৰ ঘোষণা :** ই হ’ল পলিচী ধাৰকৰ দ্বাৰা তেওঁৰ সুস্বাস্থ্যৰ বিষয়ে ঘোষণা। এই ঘোষণাই সুনিশ্চিত কৰে যে পলিচী ধাৰক গৰাকী স্বাস্থ্যৰ দিশৰ পৰা সুস্থ-সবল আৰু তেওঁ পলিচী লেপ্‌চ হৈ ৰোৱা কালছোৱাত কোনো ডাক্তৰী চিকিৎসা গ্ৰহণ কৰা নাই বা কোনো বিপজ্জনক জীৱিকাৰ সৈতে জড়িত হৈ ৰোৱা নাই। প্ৰাপ্ত ঘোষণাৰ ভিত্তিত পলিচীৰ পুনৰাৰম্ভণি সম্বন্ধে সিদ্ধান্ত লোৱা হ’ব।

**ফ্ৰী লুক কেঞ্চেলেশ্যন :** এই বিকল্প পলিচী ধাৰকলৈ আগবঢ়োৱা হয় পলিচী নাকচ কৰাৰ বাবে (নিয়ম আৰু চৰ্ত অনুযায়ী) যদিহে তেওঁ সেই ক্ৰয় কৰা ইঞ্চিওৰেন্স প্ৰডাক্ট বিধৰ সৈতে সন্তুষ্ট নহয়।

**ফাণ্ড ভেল্যু :** ফাণ্ড ভেল্যুক তদুপৰি পলিচী ভেল্যু বুলিও কোৱা হয়। ই হ’ল আপোনাৰ ইউনিট লিঙ্কড্ বা ভেৰিয়েবল পলিচীত আপোনাৰ বৰঙণিৰ তৎকালীন মূল্য।

ফাণ্ড মূল্য = (ইউনিটৰ সংখ্যা X নেট এছেট ভেল্যু)

**অনুগ্ৰহ কাল :** প্ৰিমিয়াম দিবলগীয়া তাৰিখৰ পিছৰ এনে কালছোৱা যাৰ ভিতৰত পলিচী ধাৰকে প্ৰিমিয়াম পৰিশোধ কৰিব পাৰে যাতে পলিচীৰ লাভসমূহ অব্যাহত হৈ ৰব পাৰে, সেই কালছোৱাকে কোৱা হয় অনুগ্ৰহ কাল। বাছি লোৱা প্ৰিমিয়াম পৰিশোধৰ ধৰণৰ ওপৰত ভিত্তি কৰি অনুগ্ৰহ কাল সলনি হ’ব পাৰে। মাহেকীয়া পলিচীৰ বাবে, অনুগ্ৰহ কাল হ’ল প্ৰিমিয়াম দিবলগীয়া তাৰিখৰ পৰা 15 দিন আৰু বাকী সকলো ধৰণৰ বাবে ই হ’ল প্ৰিমিয়াম দিবলগীয়া তাৰিখৰ পৰা 30 দিন।

**গেৰান্টীড সমৰ্পণ মূল্য (জিএচভি) :** সমস্ত পৰম্পৰাগত পলিচীৰ বাবে পলিচীৰ নিয়ম আৰু চৰ্তত জিএচভি উল্লেখ কৰা হৈছে আৰু প্ৰডাক্টৰ অধীনত প্ৰদেয় সৰ্বনিম্ন সমৰ্পণ মূল্য ই প্ৰদৰ্শিত কৰে।

**বলৱৎ হৈ ৰোৱা স্থিতি :** ই হ’ল পলিচীৰ এনে স্থিতি যেতিয়া দিবলগীয়া সমস্ত প্ৰিমিয়াম নিয়মিতৰূপে পৰিশোধ কৰা হয় বা সেই তাৰিখ পৰ্যন্ত সম্পূৰ্ণৰূপে পৰিশোধ কৰা হৈ থাকে।

**বীমাকৃত ব্যক্তি :** বীমাকৃত ব্যক্তি হ’ল সেইজন ব্যক্তি যাৰ জীৱনটো লাইফ ইঞ্চিওৰেন্স কোম্পানীটোৱে বীমা কৰে। পলিচীৰ ম্যাদৰ ভিতৰত, বীমাকৃত

ব্যক্তিৰ মৃত্যুৰ ক্ষেত্ৰত পলিচীৰ নিয়ম আৰু চৰ্ত পূৰণ কৰা সাপেক্ষে নামাঙ্কিত ব্যক্তিক মৃত্যু লাভ পৰিশোধ কৰা হয়।

**লক-ইন কাল :** ''লক-ইন কাল'' মানে হ'ল পলিচী আৰম্ভ হোৱাৰ তাৰিখৰ পৰা পাঁচটা অবিছিন্ন বছৰৰ সম্পূৰ্ণ কালছোৱা, যি ছোৱা কালৰ অন্তৰ্গত বীমাকৰ্তাই পলিচী ধাৰকক বা বীমাকৃত ব্যক্তিক, যিটোৱেই স্থিতি হওক, বন্ধ পলিচীৰ ধনপ্ৰাপ্তি পৰিশোধ কৰিব নোৱাৰিব, কেৱল মৃত্যুৰ ক্ষেত্ৰ বা পলিচীৰ অধীনত সামৰি লোৱা অন্য যিকোনো আকস্মিক ঘটনা ঘটাৰ ক্ষেত্ৰ বাদ দি।

**এনএভি :** ইউনিট লিঙ্কড পলিচীৰ ক্ষেত্ৰত, পলিচী ধাৰকে বাছি লোৱা ফাণ্ডৰ ওপৰত নিৰ্ভৰ কৰি প্ৰিমিয়াম বিনিয়োগ কৰা হয়। ফাণ্ডটোৰ সৈতে জড়িত হৈ ইয়াৰ এটা বিশিষ্ট মূল্য থাকে যাক জনা যায় নেট এছেট ভেল্যু (এনএভি) বুলি। অন্য কথাত, এনএভি হ'ল এটা নিৰ্দিষ্ট দিনত ফাণ্ডটোৰ প্ৰতিটো ইউনিটৰ মূল্য।

**পেইড আপ ভেল্যু :** পলিচী অনুসূচী/ডকুমেন্টত উল্লেখ কৰাৰ দৰে, পলিচী ধাৰকে যেতিয়া প্ৰিমিয়াম দিবলৈ সক্ষম নহয়, তেতিয়া পলিচী ৰদ কৰি দিয়া নহয়। তাৰ পৰিবৰ্তে পৰিশোধ কৰা প্ৰিমিয়ামৰ সংখ্যাৰ সমানুপাতত বীমাকৃত ধনৰাশি হ্ৰাস কৰি দিয়া হয় আৰু ইয়াকে কোৱা হয় পেইড আপ ভেল্যু। পলিচী ডকুমেন্টত উল্লেখিত নিয়ম আৰু চৰ্ত অনুযায়ী পেইড আপ ভেল্যু প্ৰযোজ্য হৈ পৰে।

**ৰাইডাৰ :** পলিচী ধাৰকৰ বাবে এড-অন বিকল্প উপলব্ধ হৈ থাকে যি ৰাইডাৰ নামৰ অতিৰিক্ত লাভ প্ৰদান কৰে। এই লাভ পলিচীৰ মূল মৃত্যু লাভৰ উপৰিও পোৱা যাব।

**স্পেচিয়েল চাৰাণ্ডাৰ ভেল্যু :** পৰম্পৰাগত পলিচীৰ বাবে, কোম্পানীয়ে অধিক উদাৰ সমৰ্পণ মূল্য প্ৰদান কৰে যাক কোৱা হয় স্পেচিয়েল চাৰাণ্ডাৰ ভেল্যু (এচএচভি)।

**ইউলিপ :** ষ্টক-মাৰ্কেটৰ সৈতে জড়িত ইঞ্চিওৰেন্স প্লেনক কোৱা হয় ইউনিট লিঙ্কড লাইফ ইঞ্চিওৰেন্স প্লেন (ইউলিপ)। ইউলিপ-এ প্ৰদান কৰে শিথিলতাৰ সৈতে বিনিয়োগ আৰু সুৰক্ষাৰ সমন্বয় তথা প্ৰিমিয়াম কেনেকৈ বিনিয়োগ কৰিব তাৰবাবে পলিচী ধাৰকলৈ আগবঢ়ায় পছন্দ।

**ইউনিট :** ই হ'ল ইউনিট লিঙ্কড পলিচী এখনৰ ফাণ্ডৰ এটি উপাংশ।

*[**দাবী-পৰিহাৰ :** এই পুস্তিকাক জীৱন বীমা সম্বন্ধে কেৱল সাধাৰণ তথ্য প্ৰদান কৰাৰ উদ্দেশ্যে নির্দেশিকা ৰূপে ডিজাইন কৰা হৈছে আৰু ই বিস্তৃত নহয়। ইয়াত উল্লেখিত কোনো তথ্যয়েই জীৱন বীমা পলিচীৰ নিয়ম আৰু চৰ্ত স্থানান্তৰ বা অগ্ৰাহ্য কৰিব নোৱাৰিব। ই হ'ল এক শিক্ষামূলক পদক্ষেপ আৰু ই আপোনালৈ কোনো আইনী পৰামৰ্শ আগবঢ়াব বিচৰা নাই।]*

**ব্যক্তিগত স্মাৰকলিপি**

পলিচী নম্বৰ :..........................................................

বীমাকৃত ধনৰাশি :......................................................

প্ৰিমিয়ামৰ ধনৰাশি :...................................................

প্ৰিমিয়াম দিবলগীয়া তাৰিখ :..........................................

পৰিশোধৰ সক্ৰিয় বিকল্প ধৰণ :.........................................

...........................................................................

ম্যাদপূৰ্ণৰ তাৰিখ :......................................................

পলিচী নম্বৰ :..........................................................

বীমাকৃত ধনৰাশি :......................................................

প্ৰিমিয়ামৰ ধনৰাশি :...................................................

প্ৰিমিয়াম দিবলগীয়া তাৰিখ :..........................................

পৰিশোধৰ সক্ৰিয় বিকল্প ধৰণ :.........................................

ম্যাদপূৰ্ণৰ তাৰিখ :......................................................

বীমা মধ্যস্থতাকাৰীৰ বিৱৰণ

নাম :.....................................................................

যোগাযোগ নম্বৰ :.......................................................

নাম :.....................................................................

যোগাযোগ নম্বৰ :.......................................................

নাম :.....................................................................

যোগাযোগ নম্বৰ :.......................................................

# মোৰ টোকা

SBI Life
INSURANCE
With Us, You're Sure

www.sbilife.co.in

**নকল ফোন কল আৰু জাল/প্ৰবঞ্চনামূলক অফাৰৰ পৰা সাৱধান হ'ব :**
IRDAI বীমা পলিচীৰ বিক্ৰী, বোনাচ ঘোষণা অথবা প্ৰিমিয়ামত বিনিয়োগ আদিৰ দৰে কাৰ্য্যাৱলীৰ সৈতে জড়িত নাথাকে। এনে ফোনকল প্ৰাপ্ত কৰা লোকক পুলিচৰ ওচৰত অভিযোগ দাখিল কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

ওপৰত প্ৰদৰ্শিত ট্ৰেড ল'গ' ভাৰতীয় ষ্টেট বেঙ্কৰ তথা ইয়াক লাইচেঞ্চৰ অধীনত ব্যৱহাৰ কৰিছে এচবিআই লাইফ-এ। এচবিআই লাইফ ইঞ্চিওৰেন্স কোম্পানী লিমিটেড, পঞ্জীকৃত আৰু কৰ্পোৰেট কাৰ্য্যালয় : নটৰাজ, এম. ভি. ৰোড আৰু ৱেষ্টাৰ্ন এক্সপ্ৰেছ হাইৱে জাংচন, অন্ধেৰী (পূব), মুম্বাই- 400 069. **IRDAI পঞ্জীয়ন নং 111** • CIN:L99999MH2000PLC129113 • ৱেবচাইট : www.sbilife.co.in • ই-মেইল : info@sbilife.co.in • ট'ল ফ্ৰী : 1800-267-9090 (গ্ৰাহক সেৱাৰ সময় : পুৱা 9:00-ৰ পৰা ৰাতি 9:00 বজালৈ) • SMS কৰক 'CELEBRATE' 56161-লৈ। GBKPH.ver.03-06-21 BKL ASM